# সুকন্যা

দেওবৰীয়া

নিয়মীয়া বার্তা
দেওবাৰ, ১ ছেপ্টেম্বৰ ২০২৪ www.niyomiyabarta.com


ভিতৰৰ পৃষ্ঠাত


- বাৰেকুৰিবাসীৰ মানুহৰ নিবিড় সান্নিধ্যত হলো বান্দৰৰ পৰিয়াল
- পানী মেটেকাও হ'ব পাৰে কৰ্মসংস্থাপনৰ উৎস
- আশাৰীকান্দি ধুবুৰীৰ মৃৎশিল্পৰ শতিকাজোৰা অৰ্থনৈতিক বিপ্লৱ
- গল্প ঃ কাঁচলি
- ৰেচিপি ঃ কুঁজী থেকেৰাৰে ইলিছ মাছ
- ছালৰ উজ্জ্বলতা বৃদ্ধিৰ উপায়


**জোখ-মাপ** নথকা বহিঃৰাজ্যত প্ৰস্তুত কৰা গামোচাৰে সন্মান জনোৱাৰ পৰম্পৰা বন্ধ কৰক। চৰকাৰৰ বস্ত্ৰতাঁত আৰু হস্তশিল্প বিভাগে গামোচাখনৰ জোখ আৰু আৰ্হি ঠিক কৰি দিয়ক আৰু সেইখন গামোচাহে স্বীকৃতি দিয়ক, অন্যথাই বৰ্জন কৰক। তৃতীয়তে, অসমৰ গাঁৱে-ভূঞে আচল শিপিনী অসংখ্য আছে, যিসকলে অৰ্থৰ অভাৱত তাঁত বব পৰা নাই। চৰকাৰে অযথা কিছুমান আঁচনি ৰূপায়ণৰ নামত কোটি কোটি টকা ব্যয় কৰাতকৈ এইসকল শিপিনীক আৰ্থিকভাৱে সহায় কৰক। সূতা কিনিবলৈ, তাঁতশাল কিনিবলৈ অৰ্থৰ যোগান ধৰক। উৎপাদিত গামোচা চৰকাৰে উচিত মূল্যত শিপিনীৰ পৰা **কিনক।**



# অসমীয়াৰ স্বাভিমান গামোচাখনক অপমান নকৰিব

## হস্ততাঁত শিল্পী পদ্মশ্ৰী হেমপ্ৰভা চুতীয়া



**এসময়ৰ** অসমীয়া মহিলাৰ আত্মপৰিচয়ৰ সঁজুলি তাঁতশালত মহাপুৰুষ দুজনাৰ অপূৰ্ব সৃষ্টি ধৰ্মগ্ৰন্থৰাজিক বস্ত্ৰ সংস্কৰণলৈ ৰূপান্তৰ কৰি শ্ৰেষ্ঠ শিপিনী, বকুল বন বঁটা, আই কনকলতা বঁটা, সুবৰ্ণবালা বৰা সাংস্কৃতিক বঁটা, ঋষি কপিল মেম'ৰিয়েল বঁটা, লোকশিল্পী ডলী দিৱস সোঁৱৰণী বঁটা, Flo Women Achievers Award of excellence, ৰূপকোঁৱৰ বঁটা আদিৰ লগতে ৰাজ্যিক আৰু ৰাষ্ট্ৰীয় চৰকাৰৰ অসম গৌৰৱ আৰু পদ্মশ্ৰী সন্মানেৰে সন্মানিত হেমপ্ৰভা চুতীয়া সম্প্ৰতি আন্তঃৰাষ্ট্ৰীয় প্ৰেক্ষাপটত এটি পৰিচিত নাম। সুদক্ষ শিপিনীগৰাকীৰ এই সৃষ্টিকৰ্ম অসমৰ বিভিন্ন প্ৰান্তত প্ৰদৰ্শিত হৈছে। বিশেষকৈ অসম সাহিত্য সভাৰ কলিয়াবৰ, বৰডুমচা, শিৱসাগৰ অধিৱেশন, শ্ৰীমন্ত শংকৰদেৱ সংঘৰ শিৱসাগৰ, ঢকুৱাখনা, গহপুৰ অধিৱেশন, লখিমপুৰ, লেটেকুপুখুৰী, ভাওনা সমাৰোহ, অসম সত্ৰ মহাসভাৰ ডুমডুমা ৰূপাই অধিৱেশন আদিত এই বস্ত্ৰ গ্ৰন্থকেইভাগি প্ৰদৰ্শন কৰি ধৰ্মপ্ৰাণ ৰাইজৰ বিপুল সন্মান আৰু সমাদৰ লাভ কৰিছে। আধ্যাত্মিকতাক হৃদয়ত পুহি ৰখা যিকোনো ধৰ্মাৱলম্বী লোকে বস্ত্ৰৰ পুথিকেইভাগিৰ লগতে শিপিনীগৰাকীক স-সন্মানে সেৱা জনায়। কোনো কোনো স্থানত শিপিনীগৰাকী এনে পৰিস্থিতিৰ সন্মুখীন হৈছে যে লোকস্পৰ্শ এৰাই চলি বলৈ কাপোৰৰ আঁৰত লুকা বলগীয়া হৈছে। কোনো কোনো স্থানত ইতিকিংসূচক বাক্য শুনিও নুশুনাৰ ভাও ধৰিবলগীয়া হৈছে। তথাপি থমকি ৰোৱা নাই। একান্তৰে পালন কৰি গৈছে নিজৰ দায়িত্ব আৰু কৰ্তব্য। কিন্তু কিছু কিছু স্থানলৈ শিপিনীগৰাকীক পুথিকেইভাগি প্ৰদৰ্শনৰ বাবে নিমন্ত্ৰণ কৰাৰ পাছতো অৱহেলিত নোহোৱাও নহয়। তেনে ক্ষেত্ৰত শিপিনীগৰাকীয়ে মনত পায় গভীৰ আঘাত। তেওঁক কৰা ব্যৱহাৰৰ বাবে নহয়, পুথিকেইভাগিক কৰা অসন্মানৰ বাবে। ৰাজ্যৰ প্ৰতি স্থানৰ পৰা সন্মান তথা সম্বৰ্ধনা জনায় বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে। সম্পূৰ্ণ ব্যক্তিগত আৰু একক প্ৰচেষ্টাৰে মহাপুৰুষ দুজনাৰ অপূৰ্ব সৃষ্টিৰাজিক তাঁতশালত বস্ত্ৰ সংস্কৰণলৈ ৰূপান্তৰ কৰি পদ্মশ্ৰীৰ দৰে সন্মান লাভ কৰিবলৈ সক্ষম হোৱাটো হয়তো দেশৰ ভিতৰতে অদ্বিতীয়। জীৱনৰ ওপৰত যাৰ আস্থা আছে, বিপ্লৱৰ ওপৰতো তাৰ আস্থা আছে। দুৰন্ত সাহসী আৰু পৰিশ্ৰমী শিপিনীগৰাকীয়ে তিনি কুৰি বসন্তৰ সকলো দুখ-ভাগৰক মূৰৰ ওপৰেদি পাৰ কৰিছে। শিপিনীগৰাকীৰ দেহৰ সিৰে সিৰে বৈ আছে অসমৰ ঐতিহ্য, পৰম্পৰাৰ সুঁতি। তাঁতশালত এই সুঁতি বৈ-কাটি চিৰদিনলৈ আমাৰ সংস্কৃতি ধৰি ৰখাৰ চেষ্টা কৰিছে শিপিনীগৰাকীয়ে। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ গুণমালা, শ্ৰীমদ্ভাগৱত অসমীয়া, ইংৰাজী আৰু সংস্কৃত ভাষাত, মাধৱদেৱৰ নামঘোষাক বস্ত্ৰ গ্ৰন্থত ৰূপ দিয়াৰ কষ্টসাধ্য কাম কৰিছে হেমপ্ৰভা চুতীয়াই। এইগৰাকী সুদক্ষ শিপিনীৰ সৈতে হোৱা এক সাক্ষাৎকাৰ 'নিয়মীয়া বাৰ্তা'ৰ পঢ়ুৱৈসকললৈ আগবঢ়োৱা হ'ল—

■ **মহামানৱ মহাত্মা গান্ধীয়ে অসমীয়া শিপিনীৰ শিল্পকলা দেখি মন্তব্য কৰিছিল— অসমীয়া শিপিনীয়ে বোৱা কাপোৰ চাওঁতে শুকোৱা, মুঠিতে লুকোৱা। অসমীয়া শিপিনীয়ে তাঁতশালত সপোন ৰচিব পাৰে। অৰ্থাৎ অসমীয়া প্ৰতিগৰাকী মহিলাই তাঁতশালত কাপোৰ বব পাৰে। কিন্তু আপোনাৰ মনত কেনেকৈ তাঁতশালত ধৰ্মগ্ৰন্থ বোৱাৰ চিন্তা আহিল?**

ঃ তাঁতশালত বহিলেই দুখ-ভাগৰ সকলো পাহৰোঁ। শৈশৱতে আইতা-মাৰ পৰা তাঁত ববলৈ শিকি কেতিয়া বোৱা-কটাত নিচা লাগিল গমেই নাপালোঁ। সৰুৰে পৰা নামঘৰত, সবাহ-সকামত গুৰু দুজনা বিৰচিত কীৰ্তন, দশম, গুণমালা, নামঘোষা, ভাগৱত আদি শুনি আহিছোঁ। সেই পুথিবোৰ তাঁতত তুলিব পাৰোঁ নেকি চেষ্টা কৰি চালোঁ। দেখিলোঁ কষ্ট হ'লেও দেখোন এইবোৰ কাম কৰি আনন্দ লাভ কৰোঁ। সেয়াই আৰম্ভণি।

■ **আপুনি এনে এটা দুৰূহ তথা কষ্টকৰ কাম কিয় বাছি ল'লে?**

ঃ কথাটো নোহোৱা নহয়। মই কোনো সন্মান, নাম, যশ আশা কৰি এই কামটো কৰা নাই। অসমীয়া প্ৰতিগৰাকী মহিলাই তাঁত বব জানে। বব জানে মানে সৰু-ডাঙৰ ফুল কাপোৰত বাচিব জানে। তেওঁলোকেই ইচ্ছা কৰিলে ধৰ্মগ্ৰন্থই নহয়, যিকোনো গ্ৰন্থ বস্ত্ৰত ৰূপ দিব পাৰিব। কিন্তু তেওঁলোকে সেইটো কৰা নাই, মই কৰিছোঁ। পাৰ্থক্য তাতেই।

■ **আপুনি এই গ্ৰন্থৰাজিক বস্ত্ৰত ৰূপান্তৰ কৰাৰ পূৰ্বে অক্ষৰসমূহ চানেকিত তুলি লয়নে?**

ঃ বৃন্দাবনী বস্ত্ৰ প্ৰস্তুত কৰা হৈছিল তিনি কুৰি শিপিনীৰ ঐক্যবদ্ধ প্ৰচেষ্টাত। কিন্তু মই একক প্ৰচেষ্টাৰে চানেকিবিহীনভাৱে পোনপটীয়াকৈ পুথিৰ পৰা তাঁতশালত প্ৰস্তুত কৰিছোঁ এই ধৰ্মগ্ৰন্থসমূহ।

■ **আপুনি গ্ৰন্থকেইভাগি তাঁতশালত হওঁতে কি কি সূতা ব্যৱহাৰ কৰিছে?**

ঃ মুগা সূতা, এৰী সূতা, ঊণ সূতা ( কেইবাটাও ৰঙৰ) গুণা, বাঁহৰ কাঠীও ব্যৱহাৰ কৰিছোঁ।

■ **কোন ভাগি গ্ৰন্থ কিমান সময়ত সম্পূৰ্ণ কৰিবলৈ সক্ষম হৈছে। এই গ্ৰন্থকেইভাগি বস্ত্ৰত কি আকাৰত প্ৰস্তুত কৰিছে?**

ঃ প্ৰথম শ্ৰীমন্ত শংকৰদেৱ বিৰচিত 'গুণমালা' লওঁ। ২০১৩ চনৰ ২২ জুলাইত আৰম্ভ কৰোঁ। মুগা সূতা দীঘল দিওঁ আৰু ক'লা ৰঙৰ ঊণ সূতা, গুণাৰে ৪৪০ জনা পদ তুলি ২০১৪ চনৰ ১৪ এপ্ৰিলত সম্পূৰ্ণ কৰোঁ। ইয়াৰ দীঘ ৮০ ফুট আৰু বহল ১৭ ইঞ্চি। দ্বিতীয়তে আৰম্ভ কৰোঁ মাধৱদেৱ বিৰচিত নামঘোষাখন। ২০০ ফুট দীঘল আৰু ২ ফুট বহল বস্ত্ৰৰ গ্ৰন্থভাগি মুগা সূতা দীঘত দি এৰী সূতা বাণী আৰু ক'লা ৰঙৰ ঊণ সূতাৰে অক্ষৰসমূহ তোলোঁ। ১০০১ জনা ঘোষাৰে ২০১৬ চনৰ ১৫ জুলাইত সম্পূৰ্ণ কৰোঁ। তৃতীয়তে গুৰু শংকৰদেৱ বিৰচিত মদ্ভাগৱতভাগিৰ সংস্কৃত সংস্কৰণ আৰম্ভ কৰোঁ ২০১৬ চনৰ ৪ ডিচেম্বৰত আৰম্ভ কৰি ২০১৮ চনৰ ৪ জুলাইত সম্পূৰ্ণ কৰোঁ। মুগা সূতা দীঘল আৰু সেউজীয়া ৰঙৰ ঊণ সূতা বাণীৰে ১৫০ ফুট দীঘল আৰু ২ ফুট বহল বস্ত্ৰৰ গ্ৰন্থভাগি সম্পূৰ্ণৰ পাছত ২০১৮ চনৰ ২২ আগষ্টত শ্ৰীমদ্ভাগৱতৰ ইংৰাজী সংস্কৰণৰ কাম আৰম্ভ কৰোঁ। ২৪০ ফুট দীঘল আৰু ২ ফুট বহল গ্ৰন্থভাগি মুগা সূতা দীঘল আৰু সেউজীয়া ৰঙৰ ঊণ সূতাৰে প্ৰস্তুত কৰা হৈছে। ২০২১ চনৰ ৩০ মাৰ্চত এই গ্ৰন্থ ভাগিৰ কাম সম্পূৰ্ণ কৰোঁ। ২০২২ চনৰ ৪ ফেব্ৰুৱাৰীত আৰম্ভ কৰোঁ গুণমালাৰ ইংৰাজী সংস্কৰণৰ কাম। ১.৫ (ডেৰ) ফুট বহল মুগা সূতা দীঘল দি বাঁহৰ কাঠীৰে এই ভাগি গ্ৰন্থ বস্ত্ৰত প্ৰস্তুত কৰা হৈছে। এতিয়াও সম্পূৰ্ণ হোৱা নাই।

■ **যিহেতু আপুনি সকলোৰে সন্মুখত কয় জীৱনৰ পৰৱৰ্তী সময়ত আপুনি কেৱল ধৰ্মগ্ৰন্থহে তাঁতশালত বৈ যাব। ইয়াৰ পিছৰ পৰিকল্পনা কি বা কোনভাগি গ্ৰন্থৰ কাম কৰিব?**

ঃ মই বুলি ক'লে ভুল হ'ব। যদি ভগৱানে শক্তি দিয়ে তেন্তে নামঘোষাৰ ইংৰাজী আৰু হিন্দী সংস্কৰণৰ প্ৰস্তুত কৰিম। প্ৰথমে ইংৰাজীত এজনা পদ দিয়াৰ তলতে হিন্দীত দিম।

■ **এই কামত আৰ্থিকভাৱে আপোনাৰ অসুবিধা নহয়নে? এইক্ষেত্ৰত আপোনালৈ কোনোবাই সহায়- সহযোগ আগবঢ়াইছে নেকি?**

ঃ হয়, এইক্ষেত্ৰত মই কাৰোৰে সহায় পোৱা নাই বুলি ক'লে ভুল কোৱা হ'ব। প্ৰথম দুভাগি গ্ৰন্থ নিজে খৰচ কৰি প্ৰস্তুত কৰোঁ যদিও শ্ৰীমদ্ভাগৱত দুভাগিৰ ব্যয় বহন কৰিবলৈ আগবাঢ়ি আহিল দুগৰাকী ধাৰ্মিক ব্যক্তি। সংস্কৃতভাগিৰ বাবে আৰ্থিক সাহায্য আগবঢ়ায় ডিব্ৰু মহাবিদ্যালয়ৰ অৱসৰী অধ্যাপিকা ড° ৰুণুমা শইকীয়া আৰু ইংৰাজীভাগিৰ বাবে আৰ্থিক সাহায্য আগবঢ়ায় অৱসৰী বিশিষ্ট চিকিৎসক ডাঃ বুদ্ধদেৱ দত্তই। তদুপৰি যিখন চালৰ তলত এনে মহান কাৰ্য সম্পন্ন কৰিবলৈ সক্ষম হৈছোঁ, সেই বয়ন গৃহৰ চালখনৰ বাবে টিনপাত আগবঢ়ায় লোকশিল্পী ডলী দাসৰ সুযোগ্য সন্তান অভিযন্তা শংকৰ দাসে । এই সম্পদৰাজি সংৰক্ষণ কৰিবলৈ যিহেতু এটা সংগ্ৰহালয়ৰ প্ৰয়োজন। এই সম্পদকেইভাগি মোৰ সম্পত্তি নহয়। এয়া অসমৰ ৰাইজৰ সম্পদ। আমি মৰি যাম, কিন্তু সম্পদকেইভাগি নজহি-নপমি থাকি যাব লাগিব। এইক্ষেত্ৰত কোনো ব্যৱস্থা গ্ৰহণ নকৰাত ৰাইজৰ কাষ চাপোঁ। বিভিন্নজনে সাধ্যানুসৰি গৃহ নিৰ্মাণৰ সামগ্ৰী আৰু আৰ্থিক সাহায্য আগবঢ়ায়। চুতীয়া উন্নয়ন পৰিষদেও ১০,০০০,০০ (দহ লাখ) টকাৰ সাহায্য আগবঢ়ায় । সংগৃহীত এই ধনেৰে নিজা প্ৰচেষ্টাত এটি গৃহত নিৰ্মাণ কৰি থকা হৈছে। নাজানো ভবামতে হৈ উঠে নে নাই।


সাক্ষাৎগ্ৰহণ ঃ অজিত চুতীয়া


■ **বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ উপৰি চৰকাৰেও আপোনাক যথাসাধ্য সন্মান যাচিছে। আপুনি সন্তুষ্টনে?**

ঃ মোৰ কাৰ্যক সকলোৰে স্বীকৃতি দিছে। চৰকাৰে পদ্মশ্ৰীৰ দৰে সন্মান দিছে। মই অসমৰ সমূহ ৰাইজ আৰু অসম চৰকাৰ, ভাৰত চৰকাৰ সকলোৰে শলাগ লৈছোঁ, ধন্যবাদ জনাইছোঁ। কিন্তু বঁটা-বাহন আৰু সন্মান যাচিলেই জানো সকলো হ'ব, যদিহে ইয়াক সংৰক্ষণ কৰা নহয়। তেতিয়াহে মই সন্তুষ্ট হ'ম, যেতিয়া চৰকাৰে এটা বিজ্ঞানসন্মত, আধুনিক প্ৰযুক্তিৰে এটা সংগ্ৰহালয় নিৰ্মাণ কৰি যুগ যুগান্তৰলৈ সম্পদকেইভাগি সংৰক্ষণৰ ব্যৱস্থা কৰিব। ব্ৰিটিছসকলে বৃন্দাবনী বস্ত্ৰ যদি যুগ যুগ ধৰি সংৰক্ষণ কৰিব পাৰে, আমাৰ চৰকাৰে এই সম্পদকেইভাগি কিয় নোৱাৰিব? এইখিনিতে কৈ থওঁ, শেহতীয়াকৈ অসম চৰকাৰৰ বস্ত্ৰতাঁত আৰু হস্তশিল্প মন্ত্ৰীয়ে তেনে এটা সংগ্ৰহালয় নিৰ্মাণৰ কথা ৰাজহুৱাকৈ ঘোষণা কৰিছে আৰু চৰকাৰৰ এই বিভাগৰ ঊৰ্ধ্বতম কৰ্তৃপক্ষৰ নিৰ্দেশ ক্ৰমে ডিব্ৰুগড় জিলাৰ বিষয়াবৰ্গই ক্ষেত্ৰভিত্তিক অধ্যয়ন কৰি গৈছে । পৰৱৰ্তী গ্ৰন্থ প্ৰস্তুতৰ বাবে প্ৰয়োজনীয় মুগা সূতা যোগান ধৰিবলৈ আৰু দুগৰাকী সহায়কাৰী শিপিনী চৰকাৰী খৰচত মোৰ লগত দিয়াৰ কথা জিলা বিষয়াবৰ্গই সদৰী কৰিছে।

■ **আপোনাৰ এই বস্ত্ৰ গ্ৰন্থকেইভাগি ৰাজ্যৰ বিভিন্ন স্থানৰ লগতে ৰাজ্যৰ বাহিৰতো প্ৰদৰ্শিত হৈছে । দৰ্শকৰ মতামত কেনেকুৱা?**

ঃ ভাল। কোনোৱে বেয়া মতামত দিয়া নাই। দুই-একে ক'ৰবাত কেতিয়াবা দিছে যদিও মই তাক গুৰুত্ব দিয়া নাই আৰু নিদিওঁ। কাৰণ ভগৱানৰ আশীৰ্বাদ নাথাকিলে মোৰ দৰে সামান্য মানুহে এনে কাম কৰিব নোৱাৰে।







■ **আপুনি দিনত কিমান সময়ত এই তাঁতশালত বহে?**

ঃ মই সম্পূৰ্ণ মহাপুৰুষীয়া নিয়ম-নীতিৰে ব্ৰত-উপাসনাৰে পুৱাৰে পৰা দিনটো তাঁতশালত ধৰ্মগ্ৰন্থ বোৱাৰ পাছত নিশা ১২/১ বজালৈ টাকুৰিত এৰী সূতা কাটিছিলোঁ। এতিয়াও একেদৰে বাঁহৰ কাঠী তোলোঁ।

■ **আপোনাৰ এই শক্তিক আপুনি কি বুলি ভাবে?**

ঃ ভগৱানে দিয়া শক্তিতকৈ বেছি শক্তি মানুহে বিচাৰিব নাপায়। বেছিকৈ বিচাৰিলে লোভ কৰা হয়। মোৰ মনলৈও এনে চিন্তা নহা নহয়। প্ৰথমাৱস্থাত কেৱল এজনা ঘোষাপদ বাছিবলৈ সক্ষম হৈছিলোঁ। তেতিয়া মই ভাবিছিলোঁ এনেকৈচোন বহুত বছৰ লাগিব। ৫/৬ জনা ঘোষাপদ বাছিব পৰা হ'লে! পিছদিনাৰ পৰা ৫/৬ জনা ঘোষাপদ বাছিব পৰা হৈছোঁ। সেইদৰে ক্ৰমান্বয়ে ১৯/১২ জনালৈ বৃদ্ধি হৈছে। কিন্তু এনে কাৰ্যই ৰাতি বিছনাত শুই থাকোঁতে মোক এটা প্ৰশ্নই বাৰে বাৰে খুন্দিয়াইছে— এয়া লোভ হোৱা নাইনে? ভগৱানে মোৰ ধৈৰ্যৰ প্ৰমাণ কৰিছে নেকি ? সেইদিনাৰ পৰা সিমানেই যথেষ্ট বুলি মানি লৈছোঁ আৰু ভগৱানক প্ৰাৰ্থনা জনাইছোঁ প্ৰভূ আৰু পৰীক্ষা মোৰ নল'বা।

■ **আপোনাৰ পৰিয়ালৰ বাকীসকলৰ পৰা কেতিয়াবা এই কাৰ্যত বাধা পাইছে নেকি?**

ঃ নাই, নাই, তেনে পৰিয়ালৰ লোক মই নহয়। ১৯৫৯ চনত মোৰ জন্ম ডিব্ৰুগড় জিলাৰ ফটিকাছোৱা নেপালী গাঁৱত। মোৰ দেউতা থানেশ্বৰ চুতীয়া আৰু মাৰ নাম আইকন চুতীয়া। দেউতা আছিল এল পি স্কুলৰ শিক্ষক। বৰ্তমান দুয়ো প্ৰয়াত। মই ফটিকাছোৱা অভয়পুৰীয়া প্ৰাথমিক বিদ্যালয়ত প্ৰাথমিক শিক্ষা সমাপ্ত কৰি ৰাইদঙীয়া মজলীয়া বিদ্যালয়ত মজলীয়া শিক্ষা গ্ৰহণ কৰো। মৰাণ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত উচ্চ মাধ্যমিক শিক্ষাৰ বাবে নামভৰ্তি কৰোঁ আৰু তাৰে পৰাই হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হওঁ। শিক্ষা জীৱন সিমানতে সামৰণি মাৰোঁ। ১৯৮০ চনত ফটিকাছোৱা অভয়পুৰীয়া গাঁৱৰ যোগেশ্বৰ চুতীয়াৰ লগত বিবাহপাশত আবদ্ধ হওঁ। আমাৰ এজনী জী আৰু দুটা পুত্ৰ। ৰাইদঙীয়া উচ্চ মাধ্যমিক বিদ্যালয়ত শিক্ষকতা কৰিছিল মোৰ স্বামীয়ে। তেতিয়া স্কুলখন ভেঞ্চাৰ হৈ আছিল। গতিকে দৰমহা পোৱা নাছিল। খেতি-বাতি কৰি, ঘৰতে উৎপাদিত ফচল বিক্ৰী কৰি ঘৰখন অতি কষ্টেৰে চলাইছিল। কিন্তু মোৰ নেৰানেপেৰা অনুৰোধত তেখেতে আইনৰ ডিগ্ৰী ল'বলৈ সক্ষম হৈছিল। আমাৰ পৰিয়াললৈ হঠাৎ অমানিশা নামি আহিল। ২০০5 চনত স্বামীৰ মৃত্যু ঘটে। মোৰ ওপৰত দায়িত্ব পৰিল তিনিওটা ল'ৰা-ছোৱালীৰ প্ৰতিপালন কৰাৰ। বিপদত ধৈৰ্য নেহেৰুৱাই মই তিনিওটা সন্তানকে পঢ়াই-শুনাই শিক্ষিত কৰিলোঁ। এনেবোৰ সময়তে মহাপুৰুষ দুজনাৰ অপূৰ্ব সৃষ্টিৰাজিক তাঁতশালত বস্ত্ৰ সংস্কৰণলৈ ৰূপান্তৰ কৰাৰ পৰিকল্পনা ল'ৰা দুটাক ক'লোঁ। দুয়োটাই সন্মতি জনালে। মোক যথাসাধ্য সহায় -সহযোগ কৰি গৈছে। বৰ্তমান আটাইকেইটাই সংসাৰ কৰি সুখেৰে আছে ।

■ **আপুনি শেষত নৱপ্ৰজন্ম আৰু চৰকাৰৰ প্ৰতি কি আবেদন জনাব?**

ঃ মোৰ এটাই অনুৰোধ অসমীয়া মহিলাৰ স্বাভিমান তাঁতশালখনক অৱহেলা নকৰিব। কাৰণ আগৰ দিনতো ছোৱালী বিয়া দিওঁতে যৌতুকৰ তাঁতশালখন দিছিল। যাতে কাপোৰ বৈ ছোৱালীজনী স্বাৱলম্বী হ'ব পাৰে। দ্বিতীয়তে, অসমীয়া জাতিৰ স্বাভিমান গামোচাখনক অপমান নকৰিব। জোখ-মাপ নথকা বহিঃৰাজ্যত প্ৰস্তুত কৰা গামোচাৰে সন্মান জনোৱাৰ পৰম্পৰা বন্ধ কৰক। চৰকাৰৰ বস্ত্ৰতাঁত আৰু হস্তশিল্প বিভাগে গামোচাখনৰ জোখ আৰু আৰ্হি ঠিক কৰি দিয়ক আৰু সেইখন গামোচাহে স্বীকৃতি দিয়ক, অন্যথাই বৰ্জন কৰক। তৃতীয়তে, অসমৰ গাঁৱে-ভূঞে আচল শিপিনী অসংখ্য আছে, যিসকলে অৰ্থৰ অভাৱত তাঁত বব পৰা নাই। চৰকাৰে অযথা কিছুমান আঁচনি ৰূপায়ণৰ নামত কোটি কোটি টকা ব্যয় কৰাতকৈ এইসকল শিপিনীক আৰ্থিকভাৱে সহায় কৰক। সূতা কিনিবলৈ, তাঁতশাল কিনিবলৈ অৰ্থৰ যোগান ধৰক। উৎপাদিত গামোচা চৰকাৰে উচিত মূল্যত শিপিনীৰ পৰা কিনক। শিপিনীসকলো উপকৃত হ'ল, অসমত গামোচাৰ অভাৱো নাইকিয়া হ'ল।


ফোন ঃ ৮৬৩৮২-৭৯০৯২, ৯৪৩৫২-৮২৭৫১

সুকন্যা
দেওবৰীয়া
দেওবাৰ, ১ ছেপ্টেম্বৰ ২০২৪

প্ৰকৃতি পৰ্যটন

...**বিশ্বৰ** বুকুৰ পৰা ক্ৰমাৎ বিলুপ্ত হ'বলৈ ধৰা বিপন্ন বন্যপ্ৰাণী প্ৰজাতিৰ অন্যতম হলৌ বান্দৰ। বন মানুহ হিচাপেও পৰিচিত এই বিপন্ন প্ৰাণীবিধক অস্তিত্বৰ গৰাহৰ পৰা মুক্ত কৰি প্ৰকৃতিক প্ৰাণৱন্ত কৰি ৰখাৰ উদ্দেশ্যে বৰ্তমান বিশ্বৰ প্ৰকৃতিপ্ৰেমী সংগঠনসমূহে বিশ্বব্যাপী সজাগ আৰু সচেতনতাৰ ক্ষেত্ৰত বিভিন্ন কাৰ্যসূচী গ্ৰহণ **কৰিছে...**

'মন কী বাত'ত প্ৰশংসা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ

# বাৰেকুৰি দীঘলসাঁকোবাসীৰ নিবিড় সান্নিধ্যত হলৌ বান্দৰৰ পৰিয়াল



□ মুকুল শৰ্মা

**তিনিচুকীয়া** চহৰৰ পৰা কিছু নিলগত থকা বাৰেকুৰি দীঘলসাঁকো গাঁৱৰ চাৰিজনীয়া হলৌ পৰিয়ালৰ বয়োজ্যেষ্ঠ কলীয়া নামৰ মতা হলৌ বান্দৰটো যোৱা ১৯ ছেপ্টেম্বৰত মৃত্যু হয়। সুদীৰ্ঘ সময় ধৰি বাৰেকুৰি অঞ্চলত মুক্তমনেৰে প্ৰতিঘৰ মানুহৰ বাৰীত ২৩টামান হলৌ বান্দৰ বিচৰণ কৰি ফুৰি অঞ্চলবাসীৰ মাজত গঢ়ি উঠা আত্মিক সম্পৰ্কই অন্য এক বৈশিষ্ট্য বহন কৰিছে। বৰ মৰমৰ সিহঁত প্ৰতিজন মানুহৰ বাবে। অঞ্চলবাসীৰ হাতৰ পৰা কল, বিভিন্ন ফল-মূল লৈ খায়। অঞ্চলবাসীৰ বাবে যেন সিহঁত হিয়াৰ আমঠু। দিনটোত এবাৰ নেদেখিলে মনত লাগে বেজাৰ। বাৰেকুৰিবাসীৰ নিবিড় সান্নিধ্যত মুকলিমূৰীয়াকৈ উমলি-জামলি থকা হলৌ দেশ-বিদেশৰ পৰ্যটকৰ আকৰ্ষণৰ কেন্দ্ৰবিন্দু। বাৰেকুৰি অঞ্চলৰ হলৌ বান্দৰকেইটাৰ যাতে লাইটৰ তাঁৰত লাগি মৃত্যু নহয় তাৰ ব্যৱস্থা কৰাৰ লগতে হলৌ বান্দৰকেইটাৰ সুৰক্ষা আৰু সংৰক্ষণৰ বাবে সজাগতা সভা আয়োজন কৰাৰ লগতে পৰিৱেশ সংৰক্ষণৰ বাবে সেউজীয়া উদ্ভিদৰ পৰিমাণ যিকোনো উপায়ে হওক বঢ়াব লাগিব। হলৌ বান্দৰৰ খাদ্যৰ বাবে বিভিন্ন ধৰণৰ ফল-মূলৰ গছপুলি ৰোপণ কৰি নিজৰ সন্তানৰ দৰে যত্ন ল'ব লাগিব। এজোপা গছে প্ৰায় কুৰিবিধ প্ৰজাতিৰ জীৱনক আশ্ৰয় দান কৰি বিলুপ্তৰ পৰা বচাই ৰাখে। সেউজীয়া উদ্ভিদে বায়ুমণ্ডলৰ পৰা বহু পৰিমাণে কাৰ্বন-ডাই অক্সাইড শোষণ কৰিব পাৰে। এনে কৰিলেহে আকৌ সেউজীয়া প্ৰাকৃতিক পৰিৱেশ পুনৰ ঘূৰি আহি হলৌ বান্দৰৰ বংশ বৃদ্ধি হোৱাৰ লগতে হলৌ বান্দৰ পৰিদৰ্শন কৰিবলৈ দেশী-বিদেশী পৰ্যটকৰ আগমন ঘটিব। যোৱা ২৫ আগষ্টত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মন কী বাত অনুষ্ঠানত বাৰেকুৰিবাসীৰ হলৌ বান্দৰৰ প্ৰতি থকা মৰম, ভালপোৱা প্ৰশংসা কৰে।

বিশ্বৰ বুকুৰ পৰা ক্ৰমাৎ বিলুপ্ত হ'বলৈ ধৰা বিপন্ন বন্যপ্ৰাণী প্ৰজাতিৰ অন্যতম হলৌ বান্দৰ। বন মানুহ হিচাপেও পৰিচিত এই বিপন্ন প্ৰাণীবিধক অস্তিত্বৰ গৰাহৰ পৰা মুক্ত কৰি প্ৰকৃতিক প্ৰাণৱন্ত কৰি ৰখাৰ উদ্দেশ্যে বৰ্তমান বিশ্বৰ প্ৰকৃতিপ্ৰেমী সংগঠনসমূহে বিশ্বব্যাপী সজাগ আৰু সচেতনতাৰ ক্ষেত্ৰত বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰিছে। হলৌ বান্দৰ ভাৰতীয় বন্যপ্ৰাণী সংৰক্ষণ আইনৰ ১নং তালিকাভুক্ত হোৱাৰ লগতে আন্তৰ্জাতিক আইনৰ দ্বাৰাও সুৰক্ষিত। হলৌ বান্দৰক উপযুক্ত সুৰক্ষা আৰু সজাগতাৰ বাবে ২৪ অক্টোবৰ তাৰিখে বিশ্ব হলৌ দিৱস পালন কৰা হয়। ২০১৫ চনত প্ৰকৃতি সংৰক্ষণ আন্তৰ্জাতিক সংঘৰ (IUCN) উদ্যোগত ইংলেণ্ডৰ লাই চেণ্টাৰত প্ৰথম 'বিশ্ব হলৌ দিৱস' পালন কৰা হয়। আমাৰ জৈৱ মণ্ডলত বান্দৰে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। এখন অৰণ্য কিমান সমৃদ্ধ সেইটো বান্দৰ প্ৰজাতিবোৰৰ অৱস্থিতিত উপলব্ধি কৰিব পাৰি। মানুহে বান্দৰৰ বাসস্থান আৰু খাদ্যসমূহ ধ্বংস কৰাৰ বাবে নিৰুপায় হৈ বান্দৰবোৰ জনবসতিৰ পিনে আহিবলৈ বাধ্য হৈছে। হলৌ বান্দৰ হ'ল আমাৰ অৰণ্যত বাস কৰা একমাত্ৰ বন মানুহ। নেজহীনতাই হ'ল হলৌ বান্দৰক চিনি পোৱাৰ উল্লেখযোগ্য বৈশিষ্ট্য। এহাতেৰে গছৰ ডালত ধৰি এজোপাৰ পৰা আন এজোপা গছলৈ জঁপিওৱাত আন বান্দৰৰ তুলনাত পাকৈত। মতা হলৌ বান্দৰৰ গাৰ বৰণ ক'লা আৰু চেলাউৰি দুডাল বগা। মাইকী হলৌৰ বৰণ খয়েৰী আৰু চেলাউৰি দুডাল বগা। পোৱালিবোৰৰ বৰণ ক'লা হয়। প্ৰাপ্তবয়স্ক হোৱাৰ পাছত লাহে লাহে ৰঙৰ পৰিৱৰ্তন হয়। হলৌ বান্দৰৰ বাহু আৰু হাত দুখন দীঘল। মুখ ঘূৰণীয়া, নাকৰ হাৰডাল স্পষ্ট। শৰীৰৰ দৈৰ্ঘ্য মতা মাইকীৰ প্ৰায় ১৯ ইঞ্চিমান। শৰীৰৰ ওজন প্ৰায় ৭ কিঃগ্ৰাম। ৭ বছৰমান বয়সত হলৌ বান্দৰ প্ৰজননক্ষম হৈ উঠে। হলৌ বান্দৰ প্ৰায় ৪২ বছৰ জীয়াই থাকে। হলৌৰ বাৰিষাকাল হ'ল প্ৰজননৰ ঋতু। তিনি বছৰৰ মূৰে মূৰে এটাকৈ পোৱালি দিয়ে। হলৌয়ে এজনী মাইকী হলৌক জীৱনসংগিনী হিচাপে বাছি লয় আৰু গোটেই জীৱন তাইৰ লগতে অতিবাহিত কৰে। হুলুহুলুকৈ চিএঞৰি বাস কৰা অঞ্চলৰ সীমাৰ কথা আন হলৌবোৰক জনাই থাকে। ৰাতিপুৱা আৰু আবেলি ইহঁতে চিএঞৰে। হলৌ বান্দৰ পৰিয়ালৰ প্ৰথমে এজনে চিএঞৰিবলৈ আৰম্ভ কৰে, তাৰ পাছত বাকীবোৰে চিএঞৰিবলৈ ধৰে। মাইকী হলৌজনীয়ে পোৱালিবোৰ কোলাত লৈ গছে গছে ঘূৰি ফুৰা দৃশ্য অতি মনোমোহা। ৰাতি পোৱালিবোৰক সাৱটি গছৰ ডালত টোপনি যায়। হলৌ বান্দৰ ফলাহাৰী যদিও ফুল, কোমল গছৰ পাত আৰু ঠাৰি খাই ভাল পায়। শিমলু গছৰ কলি আৰু ডিমৰু গুটি ইহঁতৰ বৰ প্ৰিয় খাদ্য। পোক-পতংগ, চৰাইৰ কণী, মকৰা আদিও খায়। অৰণ্যৰ শুকান গছত হোৱা কাঠফুলাও হলৌৱে ভক্ষণ কৰে। হলৌৰ বাসস্থান ধ্বংস আৰু খাদ্য কমাৰ লগতে চোৰাং চিকাৰ আৰু কু-সংস্কাৰৰ বাবে হলৌ বান্দৰ বৰ্তমান লুপ্তপ্ৰায় বন্যপ্ৰাণী। খাদ্য আৰু বাসভূমি বিনাশ হোৱাৰ ফলত সম্প্ৰতি হলৌ বান্দৰৰ সংখ্যা দিন দিনে কমি আহিছে। অসমত বৰ্তমান প্ৰায় পাঁচ হাজাৰমান হলৌ বান্দৰ দেখা পোৱা যায়।

সত্তৰ দশকত পিতৃয়ে লিডুৰ ৰে'ল বিভাগত চাকৰি কৰাৰ বাবে মোৰ শৈশৱৰ সেই মধুৰ সময়বোৰত লিডুৰ টীকক পাহাৰত ৰাতিপুৱা-গধূলি হলৌ বান্দৰৰ চিএঞৰ শুনাৰ আৰু জন্তুটো দেখাৰ সৌভাগ্য হৈছিল। ক'ল ইণ্ডিয়াই এই টীকক পাহাৰত মুক্ত কয়লা খননকাৰ্য আৰম্ভ কৰাৰ লগে লগে পাহাৰত থকা গছ-গছনি, জীৱ-জন্তু লাহে লাহে শেষ হোৱাৰ লগতে বৰ্তমান টীকক পাহাৰৰ প্ৰাকৃতিক সৌন্দৰ্য প্ৰাকৃতিক সম্পদৰ লগতে এই হলৌ বান্দৰ নামৰ বন মানুহৰ বংশৰ অস্তিত্বও টীকক পাহাৰৰ পৰা নিঃশেষ হ'বলৈ ধৰিলে। গোলকীয় উষ্ণতা বৃদ্ধিৰ লগতে পৰিৱেশৰ বায়ু, পানী, শব্দৰ প্ৰদূষিত হোৱাৰ ফলত শস্যবোৰ পোক-পতাগৰ পৰা ৰক্ষা কৰিবলৈ কীটনাশক ঔষধ ছটিওৱা আৰু অধিক শস্য উৎপাদনৰ বাবে ৰাসায়নিক সাৰ আদি ব্যৱহাৰ কৰাৰ বাবে জনঅৰণ্যত বাস কৰা এই হলৌ বান্দৰৰ দেহ বিষাক্ত হৈ বহুকেইটা হলৌ বান্দৰৰ ইতিমধ্যে মৃত্যু হৈছে।

ফোন ঃ ৮৮২২২-৫৫৩৮৫



**বিশ্বৰ** বুকুৰ পৰা ক্ৰমাৎ বিলুপ্ত হ'বলৈ ধৰা বিপন্ন বন্যপ্ৰাণী প্ৰজাতিৰ অন্যতম হলৌ বান্দৰ। বন মানুহ হিচাপেও পৰিচিত এই বিপন্ন প্ৰাণীবিধক অস্তিত্বৰ গৰাহৰ পৰা মুক্ত কৰি প্ৰকৃতিক প্ৰাণৱন্ত কৰি ৰখাৰ উদ্দেশ্যে বৰ্তমান বিশ্বৰ প্ৰকৃতিপ্ৰেমী সংগঠনসমূহে বিশ্বব্যাপী সজাগ আৰু সচেতনতাৰ ক্ষেত্ৰত বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰিছে। হলৌ বান্দৰ ভাৰতীয় বন্যপ্ৰাণী সংৰক্ষণ আইনৰ ১নং তালিকাভুক্ত হোৱাৰ লগতে আন্তৰ্জাতিক আইনৰ দ্বাৰাও **সুৰক্ষিত...**

পানী মেটেকাও হ'ব পাৰে কৰ্মসংস্থাপনৰ উৎস

# নলবাৰীৰ ভঁৰালতোলাৰ এজাক জনজাতীয় মহিলাৰ কৰ্মমুখী যাত্ৰা



অঞ্জলি বড়ো বৈজয়ন্তী বড়ো-ৰঞ্জিতা বড়োহঁতে ব্যস্ত বেগ ডাষ্টবিন-বিভিন্ন সঁজুলি প্ৰস্তুত কৰাত



□ শ্বাহ আলম আহমেদ

**গাঁওখনৰ** এটি বড়ো জনজাতীয় চুবুৰি। বৰলীয়া নৈৰ পাৰত অৱস্থিত বৰগাছা গাঁৱৰ ভঁৰালটোলা এটি বড়ো জনজাতীয় চুবুৰি। প্ৰায় ৪৫টা জনজাতীয় পৰিয়াল থকা এই চুবুৰিটোৰ পৰিয়ালকেইটা অতি সাধাৰণ পৰিয়াল। তেওঁলোকৰ নাই কোনো উপাৰ্জনৰ পথ। বানে গৰকা বৰভাগ আৰু বনভাগ অঞ্চলৰ মাজত তথা নলবাৰী আৰু কামৰূপ জিলাৰ সীমামূৰীয়া এই চুবুৰিটোৰ প্ৰায়ভাগ পৰিয়ালে থলুৱা চুলাই মদ ঘৰতে উৎপাদন কৰি এই মদ বিক্ৰী কৰি পৰিয়ালবোৰ কোনোমতে চলি আছে। ভঁৰালটোলা চুবুৰি মানেই চুলাই মদৰ ঘাটি বুলি পৰিচিত হৈ আহিছে। কিন্তু এই চুবুৰিটোৰ একাংশ মহিলাই চুলাই মদ উৎপাদনৰ পৰা আঁতৰি আহি আন পথ বাছি লৈছে। চুবুৰিটোৰ উদ্যোমী মহিলা অঞ্জলি বড়োৰ নেতৃত্বত বিগত ২০০৯ বৰ্ষত এই চুবুৰিটোত জন্ম দিয়ে এটি ক্ষুদ্ৰ উদ্যোগ কেন্দ্ৰ। নাম ডায়মণ্ড পানীমেটেকা উদ্যোগ কেন্দ্ৰ। অঞ্চলটোৰ চাৰিওফালে পানীমেটেকাৰে আৱৰি আছে। এই মেটেকাবোৰৰ পৰা উপাৰ্জনৰ উপাই হিচাপে সপোন ৰচনা কৰে মহিলাসকলে। এই মহিলাকেইগৰাকীক সহায় কৰি বলৈ আগবাঢ়ি আহে নলবাৰী জিলাৰ আগশাৰীৰ স্বেচ্ছাসেৱী অনুষ্ঠান গ্ৰাম্য বিকাশ মঞ্চ। গ্ৰাম্য বিকাশ মঞ্চৰ সভাপতি পৃথ্বিভূষণ ডেকা আৰু সম্পাদক দিবাকৰ ডেকাৰ সহযোগত মহিলাকেইগৰাকীক ১০ দিনীয়া প্ৰশিক্ষণ দিবলৈ আগবাঢ়ি আহে। পানীমেটেকাৰ জৰিয়তে কেনেদৰে সা-সামগ্ৰী প্ৰস্তুত কৰিব পাৰি তাৰ ওপৰত প্ৰশিক্ষণ দিয়ে ধুবুৰীৰ ৰীতা দাস আৰু গুৱাহাটীৰ দীপ্তি শইকীয়া প্ৰশিক্ষক দুগৰাকীয়ে। এই দহদিনীয়া প্ৰশিক্ষণ লৈ অঞ্জলি বড়োহঁতে পানীমেটেকাৰ পৰা বিভিন্ন ধৰণৰ বেগ, ডাষ্টবিন, যোগাসন মেট, পেন ষ্টেণ্ড, বটল বেগ আদি অন্যান্য সা-সামগ্ৰী প্ৰস্তুত কৰে। এনেদৰে পুৱাৰ পৰা সন্ধিয়ালৈ ডায়মণ্ড পানীমেটেকা উদ্যোগ কেন্দ্ৰটিত বিভিন্ন সা-সামগ্ৰী নিৰ্মাণত ব্যস্ত হৈ পৰে বৈজয়ন্তী বড়ো, ৰঞ্জিতা বড়ো, ৰূপালী বড়ো, মীৰা বড়ো, ৰীণা বড়ো, ভাৰতী বড়ো, গীতাঞ্জলি বড়ো, মনিকা বড়ো, মিনো বড়ো, তৰুলতা বড়ো, মুৰ্ণালী বড়ো, সৰস্বতী বড়ো, স্বৰ্মিলা বড়ো, জয়ন্তী বড়ো, তৰালী বড়ো, ৰঞ্জু বড়ো, নিশা বড়ো, ববিতা বড়ো, কুঞ্জলতা বড়ো, মন্দিৰা তালুকদাৰ, ৰিতু ডেকা বড়ো, নীলিমা বড়ো, টুলু বড়ো, গীতা বড়ো শ্ৰাংসী বড়ো। এইসকল বড়ো মহিলাক নিতৌ সহায় কৰি আছে প্ৰাণজিৎ বড়ো, ৰাকেশ বড়ো, চক্ৰধৰ বড়ো আৰু নিপু বড়োৱে। উদ্যোগ কেন্দ্ৰটিৰ একাংশ মহিলাক ইতিমধ্যে নেডফিয়ে আহমেদাবাদত 'নেচনেল ইনষ্টিটিউট অৱ ডিজাইন'ত ডিজাইনৰ ওপৰত ২১ দিনীয়া প্ৰশিক্ষণ দি আনিছে। গ্ৰাম্য বিকাশ মঞ্চৰ সহযোগত এই ক্ষুদ্ৰ উদ্যোগটো ভিতৰুৱা গাঁওখনত জন্ম হৈছিল যদিও উদ্যোগটোক বজাৰ এখন দিছে নেডফিয়ে। আনহাতে কিছু সা-সামগ্ৰী যোগান ধৰিছে নেডফিয়ে। আনকি নেডফিৰ সহযোগত অসমৰ বাহিৰতো বজাৰ ল'বলৈ সক্ষম হৈছে। পানীমেটেকাৰ পৰা প্ৰস্তুত কৰা সা-সামগ্ৰীবোৰ বিক্ৰীৰ বাবে এই মহিলাসকলে দিল্লী, ভূটানৰ থিম্পু বজাৰ, দিল্লী হাট, আনন্দ বিহাৰ, গুৱাহাটী, ধুবুৰীলৈও গৈ বজাৰ লগাবলৈ সক্ষম হৈছে। ইয়াত নিৰ্মাণ কৰি উলিওৱা কিছু কিছু সামগ্ৰী নেডফি হাটে কিনি লৈ যায়। নলবাৰী জিলা উদ্যোগ বিভাগত ৰেজিষ্ট্ৰেচন কৰি লোৱা ক্ষুদ্ৰ উদ্যোগটিৰ নেত্ৰী অঞ্জলি বড়োহঁতে নেডফিৰ অধ্যক্ষ অসীম কুমাৰ দাসক প্ৰশংসা কৰে। ২০১৯ চনত বিধায়ক নাৰায়ণ ডেকাই এটি চৰকাৰী সাহায্য আগবঢ়াইছিল আৰু এই ধনৰে বাথৌ মন্দিৰৰ চৌহদত উদ্যোগ কেন্দ্ৰটিৰ এটি গৃহ নিৰ্মাণ কৰে। এই গৃহটিতে চুবুৰিটোৰ অধিকাংশ জনজাতীয় মহিলাই পুৱাৰে পৰা পানীমেটেকাৰ পৰা নানা সা-সঁজুলি নিৰ্মাণত ব্যস্ত হৈ থাকে। উদ্যোগ কেন্দ্ৰটোৰ মহিলাসকলক এই সামগ্ৰীসমূহ বিক্ৰী কৰি পাৰিশ্ৰমিক দিয়ে বুলি অঞ্জলি বড়োৱে জানিবলৈ দিয়ে। ভালকৈ প্ৰস্তুত কৰিলে একোজন মহিলাই মাহেকত বহুখিনি উপাৰ্জন কৰিব পাৰে বুলিও তেওঁ আমাক জনায়। উদ্যোগ কেন্দ্ৰটোত চুবুৰিটোৰ কেইবাগৰাকী দুখীয়া ঘৰৰ ছাত্ৰী জড়িত হৈ পঢ়া খৰচ উলিয়াই আছে। উদ্যোগটো চলাই থকাৰ ক্ষেত্ৰত মেটেৰিয়েলছৰ অভাৱ নাই বুলি কয়। চাৰিওফালে পানীমেটেকাই আৱৰি আছে। তাৰ পৰা মেটেকাবোৰ উলিয়াই আনি ব্যৱহাৰ কৰে। কিন্তু উদ্যোগটোৰ বাবে যিখিনি যন্ত্ৰপাতিৰ প্ৰয়োজন ই অভাৱ হৈ আছে বুলি কয়। যিখিনি যন্ত্ৰপাতি আছিল এইবোৰ বিকল হৈ পৰি আছে। এইক্ষেত্ৰত গ্ৰাম্য বিকাশ মঞ্চৰ সৈতে যোগাযোগ কৰিছে। গ্ৰাম্য বিকাশ মঞ্চৰ সভাপতি পৃথ্বিভূষণ ডেকা আৰু সম্পাদক দিবাকৰ ডেকাই উদ্যোগটি চলোৱাৰ ক্ষেত্ৰত সহায় কৰিব বুলি প্ৰতিশ্ৰুতি দিছে বুলি অঞ্জলি বড়োৱে কয়। কিছু সহায় কৰিলে ডায়মণ্ড পানীমেটেকা উদ্যোগ কেন্দ্ৰটোৱে বহুত গতিশীল ৰূপ ল'ব। ইয়াৰ জৰিয়তে মহিলাসকলে অধিক উপাৰ্জন লাভ কৰিব পাৰিব বুলি তেওঁলোকে জানিব দিয়ে। যদিহে মহিলাসকলৰ উপাৰ্জন ভাল হয়, তেতিয়াহ'লে এতিয়াও একাংশ পৰিয়ালত চুলাই মদৰ ব্যৱসায় বন্ধ হ'ব। ইতিমধ্যে এই উদ্যোগটো স্থাপনৰ পিছত প্ৰায় ৩০গৰাকী মহিলা ইয়াত জড়িত হৈ পৰাত চুলাই মদৰ ব্যৱসায় বহু কমিছে বুলিও আমাক জনায়। চলি থকা এই উদ্যোগটোৱে আজিলৈ চৰকাৰীভাৱে বিশেষ সা-সুবিধা লাভ কৰা নাই । কিছু সহায় পালে এই উদ্যোগটিয়ে জিলাখনৰে নহয়, অসমৰ উদ্যোগ ক্ষেত্ৰত বিশেষভাৱে পৰিচিত হ'বলৈ সক্ষম হ'ব। একমাত্ৰ মহিলাসকলৰ কৰ্মোদ্যম আৰু পৰিশ্ৰমৰ জৰিয়তে ই চলি আছে। মহিলাকেইগৰাকীৰ এই কৰ্মমুখী যাত্ৰা অব্যাহত থাকক। অসমৰ উদ্যোগ ক্ষেত্ৰখনত ডায়মণ্ড পানীমেটেকা উদ্যোগ কেন্দ্ৰ জিলিকি উঠক। এই কামনাৰে—।

ফোন ঃ ৮৬৩৮৮-১৭১৯৮



কবিতা

## বৰমানুহ হ'ব নোৱাৰিলোঁ পিতাই

□ চন্দন কুমাৰ নেওগ

বৰমানুহ হ'ব নোৱাৰিলোঁ পিতাই
এতিয়া কি কৰোঁ ক'
তয়ে কৈছিলি এদিন
সৰু হৈ সৰকিব পাৰি
জীৱন বাটত সদায় সৰুহে হ'বি
ধনেৰে নহ'বি বৰমানুহ
মনেৰে পাৰ যদি হ'।

বৰমানুহ হ'ব নোৱাৰিলোঁ পিতাই
এতিয়া কি কৰোঁ ক'
তোৰ পৰাই শিকিলোঁ
উদাৰতাৰ আদিপাঠ
বহল কৰি মন আকাশৰ দৰে
লগাতকৈ নিবিচাৰি অধিক
সৎ আৰু সৰল হৈ ৰ'।

বৰমানুহ হ'ব নোৱাৰিলোঁ পিতাই
এতিয়া কি কৰোঁ ক'
বুজি পাওঁ মই
তোৰ নাই অকণো দুখ
চৰাইৰ দৰে খুঁটি খোৱা দেখি
তয়ে দেখোন কৈছিলি জীৱন এনেকুৱাই
সুখক আপোন কৰি ল'।

বৰমানুহ হ'ব নোৱাৰিলোঁ পিতাই
এতিয়া কি কৰোঁ ক'
বৰমানুহ হৈ যদি আপোন পাহৰ
তাতকৈ সৰু হৈয়ে ৰ'
বৰমানুহ নালাগে হ'ব
প্ৰকৃত মানুহকে হ'
মৃত্যুৰ পাছত সকলো একোটা 'শ'।

ফোন ঃ ৬০০১৬-৮৪১১৮

## চক্ৰবেহু

□ নয়নী নাথ ভাগৱতী

সপোনবোৰ দীঘলীয়া হ'লে
তাৰ বাটত আউল লাগে জানো?
আইতাৰ ৰুক্ষ চুলিত
আঙুলি বুলাই সুধিছিলোঁ,
সময়তকৈ নিজৰ গতিবেগ বেছি বুলি কোৱা
আইতাই উত্তৰ দিছিল,
হেৰৌ, সপোনক নিজৰ বাটত
দৌৰাই লৈ গৈ থাক
বাটত আউল লাগে ভাঙি ল'বি,
ৰৈ নিদিবি।
কথাবোৰ যদিও তেনেই উজু
পৰিধি নিমাত আছিল,
আজি অত বছৰে তাই
এটি বিন্দুতে ৰৈ থাকিল,
সময়, সপোন, সুযোগ তাই হেৰুৱালে।
এটি বৃত্তাকাৰ ৰূপ লৈ তাই নিজৰ চক্ৰবেহু তৈয়াৰ কৰিলে।

**...সৰলাবালা দেৱীৰ এই কৃতিত্বই সমগ্ৰ ভাৰতৰ শিল্পজগতত স্থান লভিবলৈ সক্ষম হৈছিল মৃৎশিল্পৰ এক নতুন ধাৰাই। জন্ম হৈছিল নতুন চিন্তাধাৰাৰ। সৰলাবালা দেৱীক পথিকৃৎৰূপে লৈ আশাৰীকান্দিৰ বহু মহিলাই খোজ দিবলৈ আগুৱাই আহিছিল টেৰাকোটা শিল্পৰ জগতখনত খোজ দিবলৈ। বৰ্তমানে গাঁওখনৰ ১৩৪টা পৰিয়ালৰ প্ৰতিটো গৃহৰে মহিলাসকলৰ অধিকাংশই জড়িত হৈ আছে টেৰাকোটা শিল্পৰ সৈতে...**



# আশাৰীকান্দি

## ধুবুৰীৰ মৃৎশিল্পৰ শতিকাজোৰা অৰ্থনৈতিক বিপ্লৱ

**বিশেষ** ধাৰাৰ এক মৃৎশিল্পই নীৰৱে অৰ্থনৈতিক বিপ্লৱ আনিছে ধুবুৰী জিলাৰ এখন বিশেষ গাঁৱত। জিলাখনৰ সদৰ ধুবুৰীৰ পৰা ১৪ কিলোমিটাৰ দূৰৰ এই গাঁওখন কেৱল অসম অথবা ভাৰততেই নহয়, বিশ্বৰ বিভিন্ন প্ৰান্ততো এতিয়া অতি পৰিচিত টেৰাকোটা গাঁওখ্যাত আশাৰীকান্দি। বিশ্বৰ দৰবাৰত এক বিশেষ ধাৰাৰ মৃৎশিল্পৰে উজলি উঠা এই গাঁওখনৰ নাম আশাৰীকান্দি হোৱাৰো আছে এক বিশেষ জনশ্ৰুতি। সেই জনশ্ৰুতি মতে, আশাৰীকান্দি নামটো 'আশাৰ' আৰু 'কান্দি' শব্দ দুটাৰ সংমিশ্ৰণৰ পৰা সৃষ্টি হৈছে। অসমীয়া দিনপঞ্জী অনুসৰি আহাৰ বছৰৰ তৃতীয় মাহ। আহাৰ মাহক স্থানীয়ভাৱে প্ৰচলিত গোৱালপৰীয়া উপভাষাত 'আশাৰ' বা 'আশ্বাৰ' বোলা হয়। আনহাতে 'কান্দি' মানে কান্দোন। আহাৰ মাহত অসমত প্ৰবল বৃষ্টিপাতৰ ফলত বানপানী হয়। সেই সময়ত মৃৎশিল্পৰ লগত জড়িত শিল্পীসকলে যথেষ্ট কষ্ট ভোগ কৰে। বাৰিষাত পোৱা দুখ-বেদনাৰ বাবেই মৃৎশিল্পীসকলৰ এখন বিশেষ এই গাঁও আশাৰীকান্দি। দৰাচলতে, ঊনৈছ শতিকাৰ আৰম্ভণিতে মৃৎশিল্পৰ লগত জড়িত কেইটামান পৰিয়ালৰ পূববংগৰ (এতিয়া বাংলাদেশ) পৰা আশাৰীকান্দিলৈ প্ৰব্ৰজন ঘটিছিল। দৰাচলতে কেঁচামালৰ উপলব্ধতা, সস্তীয়া পৰিবহণৰ সুবিধা আদিকে ধৰি আৰ্থিকভাৱে ব্যৱহাৰযোগ্য অইন কেইবাটাও কাৰকৰ বাবে তেওঁলোকে এই স্থান বাছনি কৰিছিল। সেই শিল্পীসকলৰ শিল্পকলাই স্থানীয় কথকতা, সাধুকথা আৰু লোক-বিশ্বাসৰ সৈতে সংমিশ্ৰণ ঘটি জন্ম লৈছিল নিজস্ব সুকীয়া ধাৰাৰ। লাহে লাহে সময়ৰ গতিত জন্ম লোৱা এক নতুন ধাৰাৰ অসমীয়া শিল্পকলাই হ'ল টেৰাকোটা শিল্প।

প্ৰথমাৱস্থাত টেৰাকোটা শিল্পৰ সৈতে জড়িত শিল্পীসকলৰ নিৰ্দিষ্ট কোনো লক্ষ্য অথবা এই শিল্পকলাক ব্যৱসায়িক ভিত্তিত আগুৱাই নিয়াৰ বাবে এক সুসংহত আন্তঃগাঁথনি প্ৰস্তুত কৰাৰ কোনো পৰিকল্পনা নাছিল যদিও আশাৰীকান্দিৰ এগৰাকী মহিলা শিল্পী সৰলাবালা দেৱীৰ প্ৰচেষ্টাত সূচনা ঘটিছিল টেৰাকোটা শিল্পৰ এক নতুন যুগৰ। শিল্পীগৰাকীৰ 'হাতিমা'খ্যাত কোলাত শিশু থকা এগৰাকী সুন্দৰী মহিলাৰ টেৰাকোটাৰ অভিনৱ পুতলাই ৰাষ্ট্ৰীয় পৰ্যায়ত লাভ কৰিবলৈ সক্ষম হৈছিল বিশেষ সুখ্যাতি। ১৯৮২ চনত 'হাতিমা'ই সৰলাবালা দেৱীলৈ বুটলি আনিছিল ৰাষ্ট্ৰপতি পুৰস্কাৰ।

সৰলাবালা দেৱীৰ এই কৃতিত্বই সমগ্ৰ ভাৰতৰ শিল্পজগতত স্থান লভিবলৈ সক্ষম হৈছিল মৃৎশিল্পৰ এক নতুন ধাৰাই। জন্ম হৈছিল নতুন চিন্তাধাৰাৰ। সৰলাবালা দেৱীক পথিকৃৎৰূপে লৈ আশাৰীকান্দিৰ বহু মহিলাই খোজ দিবলৈ আগুৱাই আহিছিল টেৰাকোটা শিল্পৰ জগতখনত খোজ দিবলৈ। বৰ্তমানে গাঁওখনৰ ১৩৪টা পৰিয়ালৰ প্ৰতিটো গৃহৰে মহিলাসকলৰ অধিকাংশই জড়িত হৈ আছে টেৰাকোটা শিল্পৰ সৈতে। 'চাওক— আশাৰীকান্দিত ২০০৩ চনৰ পৰা সময়ৰ সৈতে চলিব লাগিলে লগা প্ৰয়োজনীয় আন্তঃগাঁথনি, বিপণন ব্যৱস্থা আদি দিশবোৰক লৈ চিন্তা-চৰ্চা তথা সেই দিশবোৰৰ ওপৰত পৰ্যায়ক্ৰমে কাম আৰম্ভ হৈছিল। বৰ্তমানে কেৱল অসম, উত্তৰ-পূৰ্বাঞ্চলেই নহয়, দেশৰ বিভিন্ন প্ৰান্তৰ উপৰি বিদেশতো টেৰাকোটাৰ সামগ্ৰীৰ সুনাম, সমাদৰ আছে। ২০১৬ চনত আমি কৰা এক ছাৰ্ভে মতে সেই বছৰ আশাৰীকান্দিৰ টেৰাকোটা সামগ্ৰীৰ জগতখনত ১২ কোটি টকাৰো অধিক ধনৰ লেনদেন হৈছিল আৰু বৰ্তমানে সেয়া অতিকমেও দুই/আঢ়ৈ গুণ বৃদ্ধি হৈছে। আৰু আশাৰীকান্দিৰ এই নীৰৱ অৰ্থনৈতিক বিপ্লৱৰ মূল চালিকাশক্তি হ'ল গাঁওখনৰ মহিলাসকল। গাঁওখনৰ ৬০০/৭০০ শিল্পীৰ অতিকমেও ৪০০গৰাকী মহিলা প্ৰত্যক্ষভাৱে জড়িত হৈ আছে টেৰাকোটা শিল্পৰ সৈতে। টেৰাকোটাক বিষয়বস্তু ৰূপে লৈ আছে ৮টাকৈ মহিলা আত্মসহায়ক গোট আৰু এটা সমবায় সমিতি-আশাৰীকান্দি ড'ল মেকিং সমবায় সমিতি।' টেৰাকোটা শিল্পক এক সুসংহত, ব্যৱসায়িক ভিত্তিত গঢ়ি তুলিবলৈ বিশেষ অৱদান থকা উত্তৰ-পূব শিল্প আৰু গ্ৰাম্য উন্নয়ন সংস্থা নামৰ এক বেচৰকাৰী সংস্থা (চমুকৈ নেকাৰ্ডো) তথা সংস্থাটোৰ প্ৰতিষ্ঠাপক সঞ্চালক বিনয় ভট্টাচাৰ্যৰ আশাৰীকান্দিৰ টেৰাকোটা শিল্পক আগুৱাই লৈ যোৱাৰ ক্ষেত্ৰত আছে বিশেষ অৱদান।



**▢ অমিতাভ চক্ৰৱৰ্তী**

সংস্থাটোৱে ২০০৬ চনৰ পৰা টেৰাকোটা কলা আৰু সংস্কৃতিৰ প্ৰমোচনৰ বাবে এক ৰাষ্ট্ৰসংঘ উন্নয়ন প্ৰকল্প (ইউএনডিপি)ৰ অধীনত আঁচনি ৰূপায়ণ কৰি আছে।

অসম চৰকাৰে আশাৰীকান্দি গাঁওখনক মডেল গাঁও হিচাপে ঘোষণা কৰাৰ সমান্তৰালকৈ আশাৰীকান্দিক গ্ৰাম্য পৰ্যটন প্ৰকল্পৰ অধীনলৈ আনিছে। চলিত ২০২৪ বৰ্ষত আশাৰীকান্দিৰ টেৰাকোটা শিল্পই জিআই টেগ লাভ কৰি অসম তথা ধুবুৰী জিলালৈ এক বিশেষ সন্মানো কঢ়িয়াই আনিছে। উল্লেখ্য যে ২০২০ বৰ্ষত 'মন কী বাত'ৰ অনুষ্ঠানত ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে 'ভকেল ফৰ লকেল' আৰু 'আত্মনিৰ্ভৰ ভাৰত'ৰ প্ৰতি ভাৰতৰ নাগৰিকক সম্বোধন কৰোঁতে আশাৰীকান্দিৰ মৃৎশিল্পীৰ পুতলাৰ বিষয়ে উল্লেখ কৰিছিল।

'আমি কেতিয়াও ভবাই নাছিলোঁ টেৰাকোটাৰ ইমান কদৰ হ'ব। আনকি প্ৰধানমন্ত্ৰী মোদীজীয়ে আমাৰ কথা ক'ব। অসম চৰকাৰে আমাৰ গাঁওখনক মডেল গাঁও হিচাপে ঘোষণা কৰিব।' বিগত ৩৫ বছৰৰ পৰা টেৰাকোটা শিল্পৰ সৈতে জড়িত মায়াৰাণী পাল। বয়স বৰ্তমান ৬৫। কিন্তু বয়সৰ আগত হাৰ মনা নাই তেখেতৰ শিল্পীসত্তাই। মুহূৰ্ততে হাত, হাতৰ পাক আৰু এটা চকা— এইকেইটাৰেই আকাৰহীন মাটিক এক আকৰ্ষণীয় আকাৰ দিয়াত সিদ্ধহস্ত তেখেত। 'পৰম্পৰাগত আমি ব্যৱহাৰ কৰি আহিছোঁ শিলাইপাৰৰ ৰমনা বিল (বৰ্তমানে বিটিএডিত)ৰ কাষৰ মাটি। ১৯৬০ চনত চাৰি ঠেলা মাটিৰ দাম আছিল ৩০ টকা। এতিয়া সেই ৪ ঠেলা মাটিৰ দাম ২ হাজাৰ টকা। শেহতীয়াকৈ কিছু বহিৰাগত লোকে অঞ্চলটোত অহাৰ পিছৰ পৰা নিয়মিত মাটিৰ যোগান পোৱাৰ ক্ষেত্ৰত অসুবিধাৰ সৃষ্টি হৈছে।'

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্লাষ্টিক সামগ্ৰী বৰ্জনৰ আহ্বানৰ পিছত আশাৰীকান্দিৰ মাটিৰ চাহৰ গিলাচৰ চাহিদা এতিয়া সৰ্বত্ৰই। 'মোদীজীৰ প্লাষ্টিক সামগ্ৰী বৰ্জনৰ আহ্বানে নতুন এক বজাৰৰ জন্ম দিছে— চাহৰ গিলাচ। ধুবুৰীকে ধৰি নামনি অসম, গুৱাহাটী, উজনিয়েই নহয়, উত্তৰ-পূৰ্বাঞ্চলৰ বহু ঠাইৰ ব্যৱসায়ীয়ে পাইকাৰী দৰত আমাৰ পৰা মাটিৰ গিলাচ লয়। চাহিদাৰ প্ৰতি লক্ষ্য ৰাখি মাটিৰ চাহৰ গিলাচ নিৰ্মাণ কৰাৰ বাবে মেচিনো অনা হৈছে— মেনুৱেল আৰু ইলেক্ট্ৰিকেল দুই ধৰণৰেই আছে। কিন্তু অসুবিধাটো হ'ল আমাৰ ইয়াত প্ৰায়েই কাৰেণ্ট নাথাকে। ফলত মেনুৱেল, ছেমি অট'মেটিক মেচিন ব্যৱহাৰ কৰিবলগীয়া হয় আৰু প্ৰায়েই চাহিদা অনুসৰি নিৰ্মাণ কৰিব নোৱাৰোঁ।' মায়াৰাণী পালৰ অনুৰূপে বিগত প্ৰায় ৪০ বছৰৰ পৰা টেৰাকোটা শিল্পৰ সৈতে জড়িত সুধাৰাণী পাল। বিয়াৰ পূৰ্বে মৃৎশিল্পৰ বিষয়ে ন্যূনতম জ্ঞান নাথাকিলেও স্বামীগৃহত অহাৰ পিছত তেখেত এতিয়া ব্যস্ত টেৰাকোটা শিল্পত। দীপান্বিতাত চাইনিজ লাইট বৰ্জন কৰাৰ মোদীজীৰ আহ্বানৰ পিছত আমাৰ মাটিৰ চাকিৰ চাহিদা বহুগুণে বৃদ্ধি পাইছে। দীপাৱলীৰ আগে আগে অতিকমেও ১ কোটি মাটিৰ চাকি ট্ৰাকে ট্ৰাকে দেশৰ বিভিন্ন প্ৰান্তলৈ পঠিওৱা হয়। মোৰ পৰিয়ালেই প্ৰায় ১ লাখ চাকি নিৰ্মাণ কৰে।' আশাৰীকান্দিৰ এটা গৃহৰ পদূলিত মাটি আৰু চকা লৈ অনুশীলনত ব্যস্ত এগৰাকী গৃহবধূ চম্পা পাল। 'নাই এতিয়াও সম্পূৰ্ণ হোৱা নাই মোৰ শিক্ষাৰ, বহু শিকিবলগীয়া আছে। শিকি আছোঁ।' এইদৰেই আশাৰীকান্দিৰ প্ৰতিটো পৰিয়ালৰ মহিলাসকল ব্যস্ত, কোনোবাই নিজৰ মনলৈ অহা শৈল্পিকসত্তা, চিন্তাক মাটিৰে আকাৰ দিয়াত। আন কোনোবা কোনোবাই ব্যস্ত ভৱিষ্যৎ শিল্পীৰূপে নিজকে গঢ় দিয়াত।

আশাৰীকান্দিৰ টেৰাকোটা শিল্পৰ এই উত্তৰণৰ যাত্ৰা অব্যাহত থকাৰ সমান্তৰালকৈ আছে কিছু সমস্যাও। 'মাৰ্কেটিং আৰু ৰেট ফিক্সেচন এটা ডাঙৰ সমস্যা। আশাৰীকান্দিৰ টেৰাকোটা শিল্পীৰ পৰা প্ৰশিক্ষণ লৈ অসম, উত্তৰ-পূৰ্বাঞ্চলৰ উপৰি দেশৰ বিভিন্ন অঞ্চলত বৰ্তমানে টেৰাকোটাৰ সামগ্ৰী নিৰ্মাণ কৰিবলৈ লৈছে একাংশই। পিছে গুণগতমানৰ পাৰ্থক্যৰ উপৰি সমস্যা দেখা দিছে একেটা সামগ্ৰীৰ ভিন্ন ভিন্ন দামক লৈও। সেয়ে জিআই টেগ হৈছে যদিও ৰেট ফিক্সেচন এটা সমস্যা হৈ দেখা দিছে। অৱশ্যে অতি শীঘ্ৰে টেৰাকোটাৰ বিভিন্ন সামগ্ৰীৰ মূল্য নিৰ্দিষ্ট কৰি দিয়াৰ সমান্তৰালকৈ বান্ধি দিয়া হোৱা সেই দৰত বিক্ৰী কৰাটো বাধ্যতামূলক কৰাৰ এটা পদক্ষেপ লোৱা হৈছে। আশা ৰাখিছোঁ ফলপ্ৰসূ হ'ব আমাৰ এই প্ৰচেষ্টা। আনহাতে গ্ৰাম্য পৰ্যটনৰ আওতালৈ অনাৰ পিছত পৰ্যটনৰ দিশতো গাঁওখনলৈ এক সুদূৰপ্ৰসাৰী ধনাত্মক প্ৰভাৱ অনাৰ এক নতুন দুৱাৰ মুকলি হৈছে। কিন্তু তাৰ বাবে গাঁওখনলৈ অহা বাট-পথৰ কিছু মেৰামতি, কিছু আন্তঃগাঁথনিমূলক উন্নয়ন আৰু মূলতঃ বিজ্ঞাপন, মাৰ্কেটিঙৰ এক উপযুক্ত মঞ্চৰ প্ৰয়োজন।' মত নাকাৰ্ডোৰ প্ৰতিষ্ঠাপক সঞ্চালক বিনয় ভট্টাচাৰ্যৰ। অৱশ্যে, বহু ঘাত-প্ৰতিঘাত পাৰ হৈ মৃৎশিল্পীসকলৰ, বিশেষকৈ মহিলাসকলৰ নিৰলস প্ৰচেষ্টাৰ ফলৰূপে অসম, ভাৰত তথা বিশ্বত এক সুকীয়া পৰিচয় দাঙি ধৰা আশাৰীকান্দিৰ টেৰাকোটা শিল্পই যে সদায় গতিশীলতা বজাই ৰাখিব পাৰিব, সেয়া কিন্তু ধ্ৰুৱপ।

**ফোন ঃ ৮৭২০৯-৯৯৮০৩**





---



# গল্প

## কাঁচলি

**▢ দীপা দাস**

**অযুত** কাহিনীক বুকুত সামৰি পুৰাতন ভংগীত গৈ থকা এটা দিন। দিনটোৱে কাহিনীটোক লৈ আহিছিল দিকচৌ বাট এটাৰে। বাটটোৰ ওপৰৰ আকাশ আছিল অনিৰ্বচনীয় ৰঙাৰে ভৰা। আৰু দুয়োকাষ প্ৰগাঢ় সেউজীয়াৰে ভৰুণ হৈ। হয়, তেনে এটা বাটেৰেই আহিছিল অমৃত আৰু সুজাতাৰ কাহিনীটো মোৰ কাষলৈ। অমৃতৰ কথা আছিল— 'মই ঘৰত নথকাৰ সময়বোৰতো সুজাতাক লৈ মোৰ চিন্তা কৰিবলগীয়া নাথাকিব, গতিকে ভাৰাঘৰ এটা আমাক লাগিবই'। আমাৰ ঘৰখনৰ লগত অমৃতহঁতৰ পৰিয়ালৰ মধুৰ সম্পৰ্ক আছিল সুদীৰ্ঘ সময়ৰ। সেই সম্পৰ্কৰ বাটটোৰে সি সুজাতাক লৈ আহিছিল শাখা, সেন্দূৰ, উৰুলি আৰু পৱিত্ৰ মন্ত্ৰৰ ধ্বনিৰে বাট কাটি দিয়া পথটোৰে। সহজ হ'বলৈ লোৱা সময়খিনিত সুজাতাক মই লুকাই চুৰকৈ চাইছিলোঁ। স্নিগ্ধ কোমলতাৰে ভৰা ছোৱালীজনী ৰ'দ আৰু জুয়ে পোৱা সুগঢ়ি সপোনটোৰ দৰে। মসৃণ, চালে চকুৰোৱা।

'বৌদি, ৰেচিপিটা ট্ৰাই কৰে দেখুন', স্বাভাৱিকভাৱে গঢ়ি উঠা সম্পৰ্কটোৱে ছোৱালীজনীয়ে কেতিয়ানো বুকুৰ গভীৰতা চুইছিলগৈ গমেই নাপালোঁ। অমৃতৰ সপোন আৰু হাঁহিকেই নিজৰ কৰি লোৱা সুজাতা মোৰ চকুৰ আগতেই এজোপা লতা হৈছিল হেঁপাহৰ মাটি খামুচি আৰু পুৰাতন ভংগীত সাবটি ধৰিছিল ঊৰ্ধ্বমুখী গছডালক। পৃথিৱীৰ বিশালতাক আকাশৰ উচ্চতাৰ পৰা জুখি চোৱাৰ হেঁপাহেৰে। সেই দিনবোৰত সিহঁতৰ ভালপোৱাক সুজাতাই মোৰ পিছে পিছে লৈ ফুৰিছিল। 'বৌদি, অমৃতেৰ একটা কথা, শুধু তুমি, আমি আৰ আমাদেৰ ভালবাসা। আৰু সেই ভালবাসাৰ জন্য সে দুই ঘৰেৰ পাৰ্থক্যকে অগ্ৰাহ্য কৰেছিল'। অমৃতহঁতৰ অৱস্থাসম্পন্ন ঘৰখনৰ তুলনাত সুজাতাৰ পৰিয়ালটো আছিল তেনেই নিঃস্ব। গতিকে আপত্তি আছিল সকলোৰে। কিন্তু হেঁপাহৰ সপোনটোক নিলগাই জানো থ'ব পাৰি, আত্মাৰ পৰা। অমৃতেও নোৱাৰিলে। কথাবোৰ কৈ কৈ সুজাতা জোনাক সৰা নিশা হয়, নদী হয়, এচাটি মলয়া বতাহ হয়।

মোৰ চৌপাশে সুজাতাই সিঁচি দিয়ে আৰু অনেক কথকতা। মাকৰ, নৈখনৰ, চকৰীটোৰ, চৰাইজাকৰ। নিৰ্জন দুপৰবেলা গদাধৰৰ বুকুৰ নাওখন ছবি হৈ উদ্ভাসিত হয়। ৰৌদ্ৰস্নাতা গদাধৰৰ জলমল পানীত এখন নাও, বুকুত হীৰা মাটি লৈ। নাওখন নৈখনৰ বুকুৱেদি গৈ আছে দুপৰৰ চৰাইৰ বৃন্দগানৰ সুৰৰ মাজেৰে। পাৰৰ গছবোৰে হয়তো আগনিশাৰ বৰষুণত গা ধুইছিল। পাতবোৰত সজীৱতা তেতিয়াও লাগি আছিল। দূৰত উদং বুকুৰ পথাৰখন। ৰ'দঘাই চোতালখনত শাৰী শাৰী মাটিৰ সপোন। কোনোবা পিসি, কাকিমাৰ চকৰীত গঢ় লোৱা।

অমৃত-সুজাতাৰ কাহিনীটোক বুকুত সামৰি পুৰাতন ভংগীত গৈ থকা দিনটো হঠাৎ দিশহাৰা হ'ল। আবেলিৰ সময় আছিল তেতিয়া, ঋতু বসন্তৰ। গাঢ় সেউজীয়া পাতবোৰৰ মাজে মাজে থোপা-থোপে ফুলি আছিল কৃষ্ণচূড়াৰ ফুলবোৰ। ফুলবোৰৰ জলঙাই সৰকি অহা কেতেকীৰ মাতটোৱে ছাদৰ ওপৰৰ কোমল আবেলিটোক আৰু মায়াময় কৰি তুলিছিল। আৰু ঠিক তেতিয়াই আবেলিটোৰ বুকুত ছিটিকি পৰিল কিছুমান শব্দ। 'তোমাৰ মায়েৰ বাড়ি থেকে আসি নি, দেখেছি কেমনছিল' যাঠী হৈ বুকু শানি ধৰা শব্দ। আৰম্ভণি আছিল সেয়া। পিছলৈ সৰু সৰু কথাতেই অমৃতে পৌৰুষত্ব জাহিৰ কৰিছিল, সুজাতাৰ ভৰিৰ তলৰ মাটি কঁপাই।

ভুল আছিল ক'ত। শক্তিশালী প্ৰাচীন শিপাবোৰেৰে মাটিক খামুচি থকা গছজোপাক বটবৃক্ষ বুলি ভবাত, নে পৰজীৱী হোৱাত। নে শূন্য ধাৰণাৰ ভেটিত গঢ়ি উঠিবলৈ দিয়া পাঠবোৰত। কোনোবা পৱিত্ৰ মহাকাব্য, ছুপাৰহিট মুভি নাইবা প্ৰাত্যহিকতাৰ ধাৰণাৰে গঢ়ি উঠা পাঠবোৰত, পানীৰ দৰে হোৱা।

'শুধু, তুমি আমি আৰ আমাদেৰ ভালবাসা' বুলি কোৱা অমৃত সলনি হৈছিল সুজাতাই চিনিব নোৱৰাকৈ। সুজাতাক এখন বৰ্ণময় আকাশ দিয়াৰ গৰ্বত নতুবা অজুহাতত অথবা—। আৰু সুজাতা। ৰূপান্তৰৰ কচৰতত নিজেই নিজক প্ৰতাৰিত কৰিছিল। ক্ষুদ্ৰ তাৰ অনুভৱত নিজক পুতি পেলাইছিল।

'মাৰ বাবেই মৰি মৰি জীয়াই আছোঁ, নহ'লেতো কেতিয়াবাই—' কৈছিল সুজাতাই। তাইৰ মাকক ময়ো বহুবাৰ লগ পাইছোঁ। তাইৰ জন্মৰ কেইমাহমানৰ আগতেই দেউতাক ঢুকাইছিল। মাকে পৰিয়ালটোৱে পুৰুষানুক্ৰমে চলাই অহা মৃৎশিল্পৰ কামত হাত উজান দিছিল তাইৰ খুড়াহঁতৰ লগত। কপালত চন্দনৰ দীঘল ফোঁট লোৱা মানুহগৰাকীৰ গাত থাকে শুধ বগা এখন কপাহী শাৰী। ৰ'দ আৰু জুয়ে পোৱা তামৰঙী শৰীৰ। চকুহালিত জীৱনৰ বিবৰ্ণ ছবি। আৰু বুকুত লৈ ফুৰিছিল বৈবাহিক জীৱনৰ সুদীৰ্ঘ বছৰৰ পিছতো কোলা শুৱানি নোহোৱা ডাঙৰ জীয়েকৰ প্ৰতি হাজাৰ হুমুনিয়াহ।

কালিবাৰীৰ ফালে ঘৰ-মাটি কৰি অমৃত-সুজাতাই আমাৰ ভাৰাঘৰ এৰিছিল। সুজাতাই চুই যোৱা মোৰ মনটো তাইৰ বাবে হাহাকাৰ কৰি উঠিছিল। সিহঁতৰ ঘৰ-সংসাৰ চাই অহাৰ কথা কত দিন ভাবিছিলোঁ, কিন্তু অমৃতৰ প্ৰতি থকা ঘৃণা, খং, ক্ষোভ এসোপাই মনটোক বাধা দি ৰাখিছিল।

দিন-ৰাতিৰ প্ৰাত্যহিকতাৰ মাজত সময় বাগৰি গৈছিল। তেনেদৰে বাগৰি যোৱা দিন এটাত অমৃত আহিছিল। চিনিব নোৱৰাকৈ সলনি হোৱা চেহেৰা এটাৰে, আচৰিত হৈছিলোঁ। 'চিনি পোৱা নাই নেকি নবৌ, অমৃত হয়, কেম'থেৰাপীয়ে কি অৱস্থা কৰিলে দেখিছে। ছমাহ হৈছে, treatment চলি আছে। যাবচোন আমাৰ ঘৰলৈ। ল'ৰাটো ডাঙৰ হৈছে, সুজাতাও বহুত সলনি হ'ল।' এনে বহু কথা ক'লে অমৃতে। মোৰহে একো সোধা নহ'ল। শব্দও যে হেৰাই যোৱাৰ সময় আছিল সেয়া। যোৱাৰ সময়ত বাৰম্বাৰ মাতি গৈছিল সিহঁতৰ ঘৰলৈ। কৈছিল 'হেঁপাহৰো বোলে অমোঘ শক্তি আছে, হয়নে?'

হয় হয়, পাঁজৰৰ ভঙা কামিহাড়েও সপোন আঁকিব পাৰি দুচকুত,যাতনাৰ সুউচ্চ পাহাৰটোও দেও দি বগাব পাৰি। আৰু কত কি। কেৰোণ লগা জীৱন ৰেখাডাল সেই শক্তিৰে দীঘল কৰিব নোৱাৰিবনে অমৃতে। কিন্তু অমৃতৰ ক্ষেত্ৰত নহ'ল। বুকু জুৰোৱা হাবিয়াসবোৰ বুকুতে সামৰি সি সোনকালেই গুচি গ'ল উভতি নহাৰ বাটেৰে।

'পাৰিবনে সুজাতাই?' পোহৰৰ বেথাখিনি আছেই। আন্ধাৰেও সংগোপনে বাট ভেটি ৰাখিছে কত বেথাক পোহৰলৈ ডেঙা মেলিব নোৱাৰাকৈ।

কিন্তু তফাৎ আছিল বাস্তৱ ছবিখন। অমৃতৰ যুক্তি আছিল 'কিনো বেয়া হ'ব,বায়েৰাৰ আন্ধাৰ কোলা আৰু ঘৰখন আমাৰ ল'ৰাটোৱে পোহৰাই তুলিলে' সি চকুৰ ঠাৰেৰে দেখুওৱা সপোনটোলৈ নাচাওঁ বুলিও চালে সুজাতাই। বায়েকৰ দুচকুত বাখৰুৱা সপোনটোৱে তিৰবিৰাইছে আৰু ওঁঠৰ হাঁহিটো বিৰিঙি মাকৰ ওঁঠ চুইছেগৈ। মাকে জানো হাঁহি পাইছে? বায়েকেও হাঁহিবলৈ পাহৰা কিমান দিন হ'ল। আৰু কথা আছিল অমৃতৰ। সুজাতাই প্ৰতিবাদ কৰিলে শৰীৰ-মনৰ পৱিত্ৰতা শক্তিৰে, সমাজ, সংস্কাৰ, পাপ-পুণ্যৰ দোহাইৰে। কিন্তু নৰজিল। দুখন প্ৰসাৰিত হাতৰ দুবাহুলৈ অমৃতে আগুৱাই দিলে তাইক।

কি কয় সুজাতাই। অবাক বিস্ময়েৰে তাইৰ কথকতাত ডুব গৈছিলোঁ। মোৰো যে তেনেই চিনাকি সেই প্ৰসাৰিত দুহাত। সুজাতাক লগ পোৱাৰ বহু আগতেই অমৃতে চিনাকি কৰাইছিল তাৰ আজন্ম বন্ধুৰ স'তে।

হয়তো প্ৰত্যেকৰে নহ'লেও অলেখজনৰ হয়।ধাৰণাৰ বাহিৰত ঘটে কিছুমান ঘটনা, য'ত দুগালেদি বৈ অহা লোটকেৰে নত হয় শিৰ।

দেৱালৰ আবদ্ধ ফ্ৰেমত অমৃত নে সেয়া প্ৰেম আৰু সত্যই উদ্ভাসিত কৰা জীৱনৰ অপাৰ্থিৱ জ্যোতি। পাৰিবনে যাব, সেই জ্যোতি দিন এটাৰ বুকুলৈ কাহিনী হৈ পোহৰৰ।

**ফোন ঃ ৯৩৬৫২-১৬৫১৭**

---

# আপোনাৰ সমস্যা আমাৰ আইনী পৰামৰ্শ



**সীমা ভূঞা**
অধিবক্তা, গুৱাহাটী উচ্চ ন্যায়ালয়

**▢ কিশোৰী অথবা যুৱতীসকল প্ৰায়ে বাটে-ঘাটে ইভটিজিঙৰ সন্মুখীন হয়। মানসিক এই হাৰাশাস্তিৰ বিৰুদ্ধেআইনৰ কাষ চাপিলে সদুত্তৰ পোৱা যাবনে? প্ৰীতি হাজৰিকা**

ঃ ভাৰতত উপলব্ধ বিভিন্ন আইনগত পদক্ষেপৰ জৰিয়তে কিশোৰীসকলে ইভটিজিং (শ্লীলতা হানি)ৰ পৰা সুৰক্ষা আৰু ন্যায় লাভ কৰিব পাৰে। প্ৰথমে, তেওঁলোকে ততালিকে ১০০ নম্বৰত (পুলিচ) বা ১০৯১ (মহিলা সহায়ক লাইন)ত ফোন কৰি পুলিচৰ সহযোগিতা বিচাৰিব পাৰে। ইয়াৰ উপৰি নিকটৱৰ্তী থানাত এফআইআৰ দাখিল কৰি আইনী সহায় লাভ কৰিব পাৰে। ভাৰতত ইভটিজিং ৰাজহুৱা স্থানত মহিলাৰ মৌখিক আৰু শাৰীৰিক নিৰ্যাতন বুজাবলৈ ব্যৱহাৰ কৰা এটা শব্দ। ইয়াৰ ভিতৰত ৰাজহুৱা স্থানত অশ্লীল কথা কোৱা, অশ্লীল গীত গোৱা, অশ্লীল কাম কৰা, মহিলাৰ বিষয়ে যৌন মন্তব্য কৰা, যৌন মন্তব্য দি মহিলাসকলৰ ওপৰত হুইচেল বজোৱা, মহিলাৰ ওপৰত অশ্লীল ইংগিত দিয়া, অবাঞ্ছিত শাৰীৰিক সংস্পৰ্শ কৰা ইত্যাদি। যদিও ভাৰতীয় ন্যায় সংহিতা (BNS)ত ইভটিজিং শব্দটোৰ উল্লেখ নাই, BNSৰ ধাৰা ২৯৬ অনুযায়ী সাধাৰণতে এফআইআৰ দাখিল কৰা হয়। এই ধাৰাত কোৱা হৈছে যে যিকোনো ব্যক্তিয়ে ৰাজহুৱা স্থানত বা তাৰ ওচৰত এইধৰণৰ আচৰণ কৰি আনক বিৰক্ত কৰে, তেওঁক তিনি মাহপৰ্যন্ত কাৰাদণ্ড, জৰিমনা বা উভয় শাস্তি দিয়া হ'ব পাৰে। BNS ধাৰা ৭৪ অনুসৰি কোনো মহিলাৰ শ্লীলতা হানি কৰা বা তেওঁৰ সন্মান লুণ্ঠন কৰাৰ উদ্দেশ্যে কৰা আক্ৰমণ বা বল প্ৰয়োগৰ বাবে দোষী ব্যক্তি কমেও এবছৰৰ কাৰাদণ্ডৰে দণ্ডিত হ'ব, আৰু এই শাস্তি পাঁচ বছৰৰ পৰা বৃদ্ধি কৰিব পৰা যায়, লগতে জৰিমনাও ভৰিব লাগিব। আনহাতে, BNS ধাৰা ৭৯ত উল্লেখ কৰা হৈছে যে যিকোনো ব্যক্তিয়ে শব্দ, ইংগিত বা বস্তুৰ মাধ্যমেৰে কোনো নাৰীৰ অপমান কৰিবলৈ চেষ্টা কৰিলে, তেওঁক তিনি বছৰ পৰ্যন্ত কাৰাদণ্ড আৰু জৰিমনাৰে দণ্ডিত কৰা হ'ব। আইনী পদক্ষেপৰ উপৰি চৰকাৰী সংস্থা আৰু এনজিঅ'ই পীড়িতক আইনী সহায়ৰ লগতে মানসিক সহায়তাও আগ বঢ়ায়। সচেতনতা আৰু শিক্ষাৰো এক গুৰুত্বপূৰ্ণ ভূমিকা আছে। উল্লেখ্য যে পীড়িতসকলে যদি তেওঁলোকৰ আইনী অধিকাৰ আৰু উপলব্ধ সম্পৰ্কে সজাগ হয়, তেন্তে কিশোৰীসকলে শ্লীলতা হানিৰ বিৰুদ্ধে দৃঢ়ভাৱে সংগ্ৰাম কৰিবলৈ সক্ষম হ'ব।

**▢ মই মোৰ দেউতাৰ সম্পত্তিত এখন দোকান দি চলি আছোঁ। কিন্তু মোৰ দাদাই মোক ডেৰ বছৰ ধৰি মানসিক অশান্তি দি আছে আৰু মাটিখিনি এৰি দিবলৈ দাবী জনাইছে। এইক্ষেত্ৰত মই কি পদক্ষেপ ল'লে ভাল হ'ব? (নাম প্ৰকাশত অনিচ্ছুক)**

ঃ আপোনাৰ দেউতাৰ সম্পত্তিত আপোনালোক দুয়োৰে সম-অধিকাৰ থাকিব। আমাৰ পৰামৰ্শ মতে প্ৰথমে পৰিয়ালৰ ভিতৰতে সৌহাৰ্দ্যপূৰ্ণভাৱে সমস্যাটো নিষ্পত্তি কৰিবলৈ চেষ্টা কৰক। যদি নহয়, তেন্তে সম্পত্তি বিতৰণ আইনৰ অধীনত আদালতে সকলো প্ৰাপ্য উত্তৰাধিকাৰীৰ মাজত সম্পত্তি বিভাজনৰ নিৰ্দেশ দিব পাৰে।

সুকন্যা
দেওবৰীয়া
দেওবাৰ, ১ ছেপ্টেম্বৰ ২০২৪

## সপ্তাহটোৰ আলোকচিত্ৰ



মডেল ঃ অনামিকা বৰা
ফটোগ্ৰাফাৰ ঃ সুভাঞ্জন বৰদলৈ

## ৰেচিপি



□ জুৰি বৰঠাকুৰ

## কুঁজী থেকেৰাৰে ইলিছ মাছ



**উপকৰণ ঃ** ইলিছ মাছ, শুকান কুঁজী থেকেৰা কেইফুলামান, খাজুৰী কেইটামান, আলু, কেঁচা বা পকা জলকীয়া, ফোৰণৰ বাবে কালজিৰা, বগা সৰিয়হ, নিমখ, হালধি, প্ৰয়োজন অনুসৰি গৰম পানী।

**প্ৰণালী ঃ** মাছখিনি বাছি-কুটি ধুই নিমখ, হালধি আৰু নামমাত্ৰ মিঠাতেল সানি কিছু সময় মজিবলৈ থৈ দিলো। আগতীয়াকৈ কুহুমীয়া পানীত তিয়াই থোৱা কুঁজী থেকেৰাকেইফুলা পানীত তিয়াই থোৱা কুঁজী থেকেৰাকেইফুলা পানীত ভালদৰে মোহাৰি ল'লোঁ। আলুৰ বাকলি গুচাই টুকুৰা-টুকুৰকৈ কাটি কুকাৰত সিজাই ল'লোঁ। খাজুৰীকেইটা কুহুমীয়া পানীত তিয়াই গুটি গুচাই ভালদৰে মোহাৰি ল'লোঁ।

এইবাৰ গৰম কেৰাহীত তেল ঢালি তেল পকিলত মাছকেইকণ পাতল ৰঙচুৱাকৈ ভাজি তেল নিগৰাই এটা পাত্ৰত টুকি থ'লোঁ। কেৰাহীত বাকী থকা তেলকণতে কালজিৰা আৰু সৰিয়হ ফোৰণ দি ফুটিলত ইতিমধ্যে সিজাই থোৱা আলুখিনি ঢালি আনুপাতিক নিমখ-হালধিও দি ভালদৰে লৰাই ঢাকোন দি মধ্যমীয়া তাপত কিছুসময় ভাজিলোঁ। আলুখিনি ৰঙচুৱা হোৱাত হেতাৰ পিঠিৰে ভালদৰে হেঁচুকি পিহি মিহি কৰি ভজা মাছকেইকণ দি লৰাই চৰাই ঢাকোন দিলোঁ। ক্ষন্তেক ভাজি আলু ভজা আৰু মাছৰ তেল শুকালত থেকেৰা পিহা পানীখিনি ঢালি লৰাই-চৰাই পানীকণ শুকালত প্ৰয়োজনীয় গৰম পানী ঢালি ঢাকোন দি উতলালোঁ। উতলিলত পিহি থোৱা খাজুৰী পানী ওপৰত ঢালি পকা জলকীয়াকেইটাও দুফালকৈ ফালি দি ভালদৰে উতলিবলৈ ঢাকোন দিলোঁ। উতলি উতলি আঞ্জাখন ডাঠ হৈ সুগন্ধি ওলোৱাত গেছৰ জুই নুমাই কিছু সময় গৰম চৌকাৰ ওপৰতে ৰাখি এটা পাত্ৰত ঢালি থ'লোঁ।

## চেংমৰা শাকেৰে মাছ



**উপকৰণ ঃ** ঔষধি গুণযুক্ত চেংমৰা শাক ১ মুঠি, মাছ, আলু, কেঁচা জলকীয়া, নহৰু, জিৰা, পাঁচফোৰণ, তেজপাত, নিমখ, হালধি, মিঠাতেল, গৰম পানী।

**প্ৰণালী ঃ** কৰতি মাছকেইটা বাছি পেটু উলিয়াই পৰিষ্কাৰ কৰি ধুই নিমখ, হালধি আৰু নামমাত্ৰ মিঠাতেল সানি ল'লোঁ। চেংমৰা শাকৰ চোঁচ গুচাই কোমল পাতেৰে সৈতে ভালদৰে ধুই মিহি মিহিকৈ কুটি ল'লোঁ। আলুৰ বাকলি গুচাই টুকুৰা-টুকুৰকৈ কাটি অলপ সিজাই ল'লোঁ। এইবাৰ গৰম কেৰাহীত তেল দি মাছকেইটা ইলুটি-সিলুটি কৰি ভাজি তেলৰ পৰা টুকি থ'লোঁ। ৰৈ যোৱা তেলখিনিত তেজপাত, পাঁচফোৰণ, জিৰা দি ফুটিলত থেতেলিয়াই থোৱা নহৰুকেইকোঁহ দি লৰাই-চৰাই ভাজি চেংমৰা শাকখিনিৰ লগতে নিমখ-হালধিও দি ভালদৰে লৰাই ঢাকোন দিলোঁ। মাজে মাজে লৰাই চাই আধা ভজা হলত আলুখিনিও দি ভালদৰে সকলোখিনি মিহলাই মজিবলৈ ঢাকোন দিলোঁ। শাকখিনি গলিলত আধাখিনি আলু হেতাৰে হেঁচুকি পিহি দিলোঁ আৰু মাছখিনি দি ওপৰত কেঁচা জলকীয়া কাটি দি লৰাই-চৰাই প্ৰয়োজনীয় গৰম পানী ঢালি উতলিবলৈ দিলোঁ। উতলি উতলি জোলখন ডাঠ হোৱাত গেছৰ জুই নুমাই গৰম চৌকাৰ ওপৰত কিছু সময় থৈ এটা পাত্ৰত জোলখন ঢালি থ'লোঁ।

### সুকন্যা

**বিনম্ৰ আহ্বান**

নিয়মীয়া বাৰ্তাৰ দেওবৰীয়া পৰিপূৰিকা সুকন্যাত প্ৰতিটো সংখ্যাত প্ৰকাশ পাব সপ্তাহটোৰ আলোকচিত্ৰ। ইচ্ছুক যুৱতী-মহিলাসকলে উক্ত শিতানত প্ৰকাশৰ বাবে নাম-ঠিকনাসহ ফটো প্ৰেৰণ কৰিব পাৰে।

**সুকন্যা, নিয়মীয়া বাৰ্তা, প্ৰাইড ইষ্ট এণ্টাৰটেইনমেণ্ট প্ৰাইভেট লিমিটেড, জিএছ ৰোড গুৱাহাটী-৫ E-mail: sukanya@prideeast.com**

## কুইজ বিচিত্ৰা-চাৰি

● নৱকান্ত বৈশ্য

**বৰ্তমান** যুগত উৎপাদনকাৰী অথবা ব্যৱসায়ীসকলে নিজৰ পণ্যৰ উৎকৰ্ষ বিশ্বব্যাপী গ্ৰাহকৰ ওচৰলৈ লৈ যাব বিচাৰে। প্ৰতিটো উৎপাদনকাৰীয়ে বাণিজ্যত একচেতিয়া আধিপত্য লাভ কৰি মুনাফাৰ পৰিমাণ বৃদ্ধি কৰিব বিচাৰে। বহু ব্যৱসায়ীয়ে একেই পণ্য লৈ বাণিজ্যত লিপ্ত হোৱাৰ কাৰণে প্ৰতিযোগিতাই দেখা দিছে। এই প্ৰৱণতাৰ পথক অনুসৰণ কৰি ব্যৱসায় বাণিজ্যৰ প্ৰসাৰৰ বাবে প্ৰৱেশ কৰিছে বিজ্ঞাপন। আমাৰ আজিৰ শিতানত বিজ্ঞাপনত ব্যৱহৃত কেইটমান তথ্যৰ আলোচনা কৰা হৈছে।

কুইজৰ বাতৰি তথা যি কোনো তথ্য প্ৰকাশৰ বাবে আমাৰ শ্ৰদ্ধাৰ পাঠকসকলে ৮৬৩৮৩-৭৮৩৬৯ ম'বাইল নম্বৰত এছ এম এছ বা হোৱাট্ছএপযোগে অথবা quizbichitra@gmail.comত ই-মেইলযোগে প্ৰেৰণ কৰিব পাৰে।

### সংবাদ শিৰোনাম

১। ২০২৪ চনৰ ২৩ আগষ্টৰ দিনটো ভাৰতবৰ্ষৰ ইতিহাসত কিয় এক বিশেষ দিন ৰূপে চিহ্নিত হৈ ৰ'ব?
২। কিছুদিন আগতে বিশ্ব বেংকে এক বিশেষ উদ্দেশ্যৰে ২২৫ নিযুত ডলাৰৰ ৯ বছৰীয়া ম্যাদৰ এক ঋণপত্ৰ মুকলি কৰিছে। উদ্দেশ্যটো কি?
৩। অসমৰ চিৰাং জিলাৰ শিমলা বাগান নামৰ গাঁওখনে শেহতীয়াভাৱে কিয় আন্তঃৰাষ্ট্ৰীয় সংবাদ মাধ্যমত স্থান লাভ কৰিছিল?
৪। ভূপাল গেছ দুৰ্ঘটনাৰ ৪০সংখ্যক বৰ্ষপূৰ্তি উপলক্ষে অলপতে The Prisoner of Bhopal নামৰ এখন উপন্যাস প্ৰকাশিত হৈছে। উপন্যাসখনৰ ৰচক কোন?
৫। বিগত ১৬ আগষ্টত ঘোষিত ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটাৰ শ্ৰেষ্ঠ অসমীয়া ছবিৰূপে ৰজত কমল লাভ কৰা 'এমুঠি পুঠি' ছবিখনে কি ইতিহাস সৃষ্টি কৰিছে?

### বিজ্ঞাপন

১। কোনখন বিশ্ব প্ৰসিদ্ধ বাতৰিকাকতৰ বিজ্ঞাপনৰ শাৰীটো হৈছে- "Democracy dies in darkness" ?
২। এখন জনপ্ৰিয় বাহনৰ বিজ্ঞাপনত "American by birth. Rebel by choice" শাৰীটো ব্যৱহাৰ কৰা হয়। কোনখন বাহন?
৩। কোনটো ভাৰতীয় ৰাষ্ট্ৰীয়কৃত বেংকে নিজকে "India's International Bank" বুলি বিজ্ঞাপনত উল্লেখ কৰে?
৪। এটা ভাৰতীয় বিশিষ্ট সংগঠনে তেওঁলোকৰ বিজ্ঞাপনত "Do you have it in you?" বুলি প্ৰশ্ন কৰে। সংগঠনটোৰ নাম কি?
৫। তথ্য-প্ৰযুক্তিৰ সৈতে জড়িত এটা ভাৰতীয় বহুজাতিক কোম্পানীৰ বিজ্ঞাপনত "Powered by Intellect, Driven by Values" শাৰীটো ব্যৱহাৰ কৰা হয়। কোম্পানীটোৰ নাম কি?

### কুইজ বিচিত্ৰা ৩ৰ উত্তৰসমূহ

১। ৱায়ানাড় (কেৰালা)। প্ৰাকৃতিক দুৰ্যোগৰ বাবে চৰ্চিত হৈছিল।
২। ব্ৰেক ডাঞ্চিং।
৩। বাংলাদেশৰ তদানীন্তন প্ৰধানমন্ত্ৰী শেখ হাছিনাই এই বিশেষ শ্ৰেণীৰ উৰাজাহাজ এখনেৰে ভাৰতত প্ৰৱেশ কৰিছিল।
৪। নতুন দিল্লীত।
৫। NASAৰ মহাকাশ অভিযান Axiom-৪ৰ যাত্ৰী ৰূপে নিৰ্বাচিত হোৱা বাবে।
৬। জাহাংগীৰ নগৰ।
৭। ইছামতী।
৮। কামৰুল হাছান।
৯। অক্সফ'ৰ্ড বিশ্ববিদ্যালয়।
১০। জামদানি শাড়ী।
১১। হেমবাৰ্গাৰ বিশ্ববিদ্যালয়। মেকড'নাল্ডছ।

### সপ্তাহটোৰ প্ৰশ্ন

বৈদিক যুগৰ জ্যোতিৰ্বিজ্ঞানী গাৰ্গেয়ই মহাকাশৰ তাৰকামণ্ডলৰ বাবে ব্যৱহাৰ কৰা এটা শব্দ বৰ্তমান কালতো সংস্কৃত আৰু আধুনিক ভাৰতীয় ভাষাসমূহত ব্যৱহৃত হয়। শব্দটো কি?



## ছালৰ উজ্জ্বলতা বৃদ্ধিৰ উপায়...

**মইশ্বৰাইজ কৰি ৰখা ঃ** নিজৰ ছালখনক যিমান সম্ভৱ মুখখন ধোৱাৰ পিছত ভালদৰে মইশ্বৰাইজ কৰিব। মইশ্বৰাইজ কৰি ৰাখিলেহে তাত থকা ঔষধি গুণ আৰু এণ্টি-অক্সিডেণ্ট গুণে আপোনাৰ ছালখন মৰি যোৱাৰ পৰা বচাই উজ্জ্বলতা প্ৰদান কৰে।

**বিলাহী ঃ** বিলাহী প্ৰাকৃতিক ব্লিচৰ গুণেৰে সমৃদ্ধ। সেই হেতুকে ই ছাল বগা হোৱাত সহায় কৰে। নিয়মিত বিলাহীৰ ৰসেছে ছাল মাছাজ কৰিলে ছালৰ ৰং উজ্জ্বল আৰু বগা হয়। কিছুমানৰ মুখত সৰু সৰু ফোঁহা হোৱা দেখা যায়। এনেকুৱা হ'লে দুচামুচ বিলাহীৰ ৰস আৰু কেঁচা গাখীৰ মিহলাই লগালে ছালত হোৱা সৰু সৰু ফোঁহাবোৰ নিৰ্মূল হয়।

**কমলা ঃ** তৈলাক্ত ছালৰ বাবে কমলা হৈছে উত্তম ঔষধ। আপোনাৰ ছালখন যদি অতিৰিক্ত তৈলাক্ত, তেন্তে আপুনি কমলাৰ ৰস মুখ আৰু ডিঙিত সানি প্ৰায় ১০ মিনিটমান মালিচ কৰিব। এই ৰসে মুখমণ্ডলৰ তেল শুকুৱাই নি নোম ছিদ্ৰৰ গুৰি বন্ধ কৰি দিয়ে আৰু ছালৰ উজ্জ্বলতা ঘূৰাই অনাত সহায় কৰে।

**ছানস্ক্ৰীনৰ ব্যৱহাৰ ঃ** সূৰ্যৰ পৰা অহা অতি বেঙুনীয়া ৰশ্মিৰ পৰা আৰু ক'লা দাগৰ পৰা বাচিবলৈ আপুনি ছানস্ক্ৰীন ব্যৱহাৰ কৰিব পাৰে। এছ পি এফ ১৫ (Sun protection Factor 15) নাইবা তাতকৈ অতিৰিক্ত ছানস্ক্ৰীন ব্যৱহাৰ কৰি সূৰ্যৰ অতি বেঙুনীয়া ৰশ্মিৰ পৰা হ'ব পৰা বিভিন্ন ৰোগ আৰু ছালখনক কেন্সাৰ হোৱাৰ পৰাও সুৰক্ষা দিব পাৰে।



## শব্দ চয়ন ঃ ৭

| | | | | | | | | | |
|---|---|---|---|---|---|---|---|---|---|
| ১ | ■ | ২ | | ৩ | ■ | ৪ | ৫ | | ৬ |
| | ■ | ■ | ■ | | ■ | ৭ | | ■ | |
| | ■ | ৮ | ■ | | ■ | ■ | ■ | ■ | |
| ৯ | | | ■ | ১০ | ১১ | | ■ | ১২ | |
| | ■ | ১৩ | | ■ | | ■ | ১৪ | ■ | ■ |
| ■ | ■ | | ■ | ১৫ | ■ | ১৬ | | ■ | ১৭ |
| ১৮ | | ■ | ১৯ | | ২০ | ■ | ২১ | | |
| | ■ | ■ | ■ | ■ | | ■ | | ■ | |
| | ■ | ২২ | ২৩ | ■ | | ■ | ■ | ■ | |
| ২৪ | | | | ■ | ২৫ | | | ■ | |

**থিয়কৈ ঃ**
১। দুৰ্কপাল (৫)
৩। মানৱ-লীলা (২+২)
৪। অধৰ্ম, দুষ্কৰ্ম (২)
৫। জাক, জন্তুৰ জাক (২)
৬। এটা অসুৰ (৪)
৮। পিতলৰ সদৃশ, পিতল মিহলি থকা (৪)
১১। গৰু খেদা এছাৰি (২)
১৪। ন্যায় বা আইনমতে পোৱা ভোগ-দখল বা ক্ষমতাৰ পৰা বঞ্চিত কৰণ (১+৩)
১৫। বিদ্যা, নৈপুণ্য (২)
১৭। তৰা থকা ঠাই, তৰাৰ সমূহ বা জুম (২+৩)
১৮। ৰঘুবংশৰ নাথ বা শ্ৰেষ্ঠ লোক (৪)
২০। হৰিনাম গোৱা ঘৰ, বৈষ্ণৱ-সকলৰ উপাসনাৰ ঘৰ (৪)
২২। নিষেধ, বাৰণ (২)
২৩। কাম, কাজ (২)

**পথালিয়ে ঃ**
২। এবিধ গছৰ পৰা উলিওৱা তেল (৩)
৪। পাপ কাৰ্য, দুৰাচাৰ (৪)
৭। এবিধ বাঁহৰ কাঠিৰে সজা মাছ ধৰা যতন (২)
৯। প্ৰতিপাল কৰা (৩)
১০। চেগ, মুহূৰ্ত, নিমিষ (৩)
১২। পাক, মেৰ, বক্ৰতা (২)
১৩। কাপোৰৰ কোঁচ খাই থকা আগ বা আঁচল (২)
১৬। হিন্দুৰ প্ৰধান শাস্ত্ৰ (২)
১৮। ৰঙা বৰণ (২)
১৯। বিদেশী সোৱাদ ডালিম (৩)
২১। খোক, চুক, আঁৰল ঠাই (৩)
২২। আৱশ্যক, পদ, বিষয় (২)
২৪। অন্তৰ্দ্ধান, নেদেখা হোৱা (৪)
২৫। ধুন মাৰি ফুৰা তিৰোতা (৩)

© মহন্ত

### শব্দ চয়ন ঃ ৬ৰ উত্তৰ

**থিয়কৈ ঃ** ১। অনভিমান ৩। কল্পনাথ ৪। অজ ৫। ভয় ৬। তলাতল ৮। অনশন ১১। মান ১৪। দহি-কচু ১৫। দৰ ১৭। দহদহীয়া ১৮। থুলন্তৰ ২০। দবাখৰ ২২। মম ২৩। তলা

**পথালিয়ে ঃ** ২। অন্ধক ৪। অভকত ৭। জয় ৯। মানন ১০। থমা-দৈ ১৩। শত্ৰু ১৬। দহি ১৮। থুপ ১৯। দৰদ ২১। কলহ ২২। মত ২৪। ৰঘুমলা ২৫। ৰজক।

প্ৰাইড ইষ্ট এণ্টাৰটেইনমেণ্ট প্ৰাইভেট লিমিটেডৰ হৈ ভৱেশ চন্দ্ৰ ডেকাৰ দ্বাৰা বৰাগাঁও, গুৱাহাটী-৩৩, মৰাণ-ডিব্ৰুগড়, বিশ্বনাথ চাৰিআলি আৰু আগিয়া, গোৱালপাৰাৰ পৰা প্ৰকাশিত আৰু মুদ্ৰিত □ যোগাযোগৰ ঠিকনা ঃ নিউজ লাইভ বিল্ডিং, খ্ৰীষ্টানবস্তি, গুৱাহাটী- ৫
Published and Printed by Bhabesh Chandra Deka on behalf of Pride East Entertainment (P) Ltd. Boragaon-Guwahati, Moran-Dibrugarh, Biswanath Chariali, Agia-Goalpara, Office Address : News Live Building, Christian Basti, Guwahati-5, Executive Editor : Amal Das , Editor : Naresh Kalita
□ ফোন ঃ গুৱাহাটী (০৩৬১) ২৩৪০৯০০/২৩৪১২০১/২৩৪১২০২ □ যোৰহাট ঃ (০৩৭৬) ২৩০০১৪৪ □ ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৬৭৬৮ □ ই-মেইল ঃ niyamiyabarta@gmail.com, বিজ্ঞাপন বিভাগৰ ই-মেইল ঃ niyamiyaadvt@prideeast.com
□ কাৰ্যবাহী সম্পাদক ঃ অমল দাস □ সম্পাদক ঃ নৰেশ কলিতা